অসম প্ৰকাশন পৰিষদ

# পখিলা



ড° বাণীকান্ত কাকতি

পখিলা

ডক্টৰ বাণীকান্ত কাকতি আমাৰ ভাষাৰ এগৰাকী শ্ৰেষ্ঠ ভাষাবিদ আৰু সমালোচক। তেওঁৰ সমালোচনাত প্ৰাচ্য আৰু পাশ্চাত্য ভাব-চিন্তাৰ সুসমন্বয় ঘটাত সিবোৰ এক বিশেষ ধৰণৰ সাহিত্য-সম্পদৰূপে চিহ্নিত হৈছে।

'পখিলা' গ্ৰন্থত অন্তৰ্ভুক্ত 'তুলসীদাস' সন্ত-কাহিনী। 'এমুঠি সৰিয়হৰ গুটি' বুদ্ধ-জীৱন-কথাৰ অন্তৰ্গত। 'নাম-সাহিত্য' পুৰণি মিছৰৰ কাহিনী। 'মাছ-অৱতাৰ' বেবিলনৰ উপকথা। 'সোণালী পৰশ', 'অমৰ প্ৰেমিক', 'অৰূপ ধুনীয়া তিৰোতা', 'মহিলাৰ মহাসভা' আৰু 'ডায়ৰ' প্ৰাচীন গ্ৰীচৰ পুৰাণ-কথা বা নাটকীয় কাহিনী। 'নাৰায়ণ-ৰূপী জেঁাৱাই' ভাৰতীয় পুৰাণৰ গল্প। 'নৰকাসুৰ' কামৰূপৰ কালিকা-পুৰাণৰ কথা। 'পখিলা'ৰ কেয়োটি লেখাই তুলনামূলক লোক-কলাৰ অধ্যয়নৰ সামগ্ৰী হৈ পৰিছে। কিশোৰৰ উপযোগী কথন-পদ্ধতিৰ পুথিখনিয়ে সকলো স্তৰৰ পাঠককে আকৰ্ষণ কৰিব পাৰিব।

# পখিলা

বাণীকান্ত কাকতি

অসম প্ৰকাশন পৰিষদ
গুৱাহাটী ৭৮১ ০২১

# সূচীপত্ৰ


| | |
|---|---|
| পখিলা | ১ |
| নাম-মাহাত্ম্য | ৩ |
| তুলসীদাস | ৬ |
| এমুঠি সৰিয়হৰ গুটি | ১১ |
| কামনাত কেৰোণ | ১৪ |
| (ক) সোণালী পৰশ | |
| (খ) অমৰ প্ৰেমিক | |
| (গ) অৰূপ ধুনীয়া তিৰোতা | |
| নাৰায়ণৰূপী জোঁৱাই | ২১ |
| মহিলাৰ মহা-সভা | ২৭ |
| মাছ অৱতাৰ | ৩৪ |
| ডাৱৰ | ৩৮ |
| নৰকাসুৰ | ৫৫ |

# পখিলা

আমি পখিলা। আমাৰ পাখিত নানা বৰণৰ ৰং আছে বুলি আমাৰ এই নাম। গছ-লতাৰ ফুল আৰু পাতক আশ্ৰয় কৰিয়েই আমাৰ জনম। ফুলৰ ৰেণুৱেই আমাৰ প্ৰধান খোৱা বস্তু আৰু ফুলৰ আশ্ৰয়তেই আমি থাকো।

আগৰ দিনত আমাক বুলিছিল প্ৰজাপতি। হিন্দুৰ প্ৰধান দেৱতা ব্ৰহ্মাৰ নামো প্ৰজাপতি। কিয়, ক'ব পাৰানে? অনন্ত-শয়নত নাৰায়ণ দেৱতা শুই থাকোতে তেওঁৰ নাইৰপৰা পদুম ফুল এটি ফুটি ওলাইছিল। সেই পদুম ফুলতেই ব্ৰহ্মাৰ জন্ম হৈছিল। ফুলৰপৰা ওপজা বুলিয়েই নেকি আমাৰ আৰু ব্ৰহ্মাৰ নাম একে।

আমি যি বৰণৰ ফুলক আশ্ৰয় কৰি থাকো, আমাৰ পাখিৰ ৰঙো সেই বৰণীয়া। আমি ফুলত পৰি মৌ চুহি থাকিলে চৰাই-চিৰিকটিয়ে ফুল বুলিয়েই আমাক ভ্ৰম কৰে, আৰু খাবলৈ আমাক বিচাৰি নাপায়।

প্ৰজাপতি ব্ৰহ্মাই হেনো বিশ্বসংসাৰখন ৰচনা কৰিছিল। ৰচনাৰ উপাদান আমাৰ পেটতো আছে। আমি যি কণী পাৰো, সেই কণীৰপৰা ফুটি ওলোৱা পোকেই লেটা পকাই তোমালোকক এৰী, মুগা, পাট আদি বহুমূলীয়া কাপোৰ যোগায়।

আমি জানিবা উৰণীয়া ফুল। সেই বুলি আমাৰ জীৱনত মোল নাই বুলি নাভাবিবা। অকণহঁত! মন কৰিলে তোমালোকো আমাৰ নিচিনাই হ'ব পাৰা। তোমালোকৰ পাখি নাই, কিন্তু মন আছে। আমি পাখিৰে যিমান উধাব পাৰো, তোমালোকে মনেৰে তাতোকৈ বেছি উধাব পাৰা। আমাৰ পাখিতকৈ তোমালোকৰ পাখিত বেছি ৰং খুৱাব পাৰা।

জগতত ডাঙৰ চানেকি, ডাঙৰ ভাব, ডাঙৰ কাম---এইবোৰেই ফুলৰ নিচিনা। সেইবোৰৰ সোৱাদ লোৱাত যদি মন বুৰাই ৰাখিব পাৰা, চাবা, তোমালোকৰ মনো সেই চানেকি, ভাৱ আৰু কামৰ অনুৰূপ তেজাল হ'ব। আমি বতাহত উৰি ফুৰো, তোমালোকে ভাবত উৰি ফুৰিবা। আমি কেৱল মুগা, পাট আদি কাপোৰৰ উপাদানহে যোগাওঁ ; তোমালোকৰ মনৰপৰা বহুমূলীয়া জ্ঞানৰ কাপোৰৰ দৰে অমূল্য গ্ৰন্থ, আৱিষ্কাৰ, উদ্ভাৱনাৰ নতুন কৌশল ওলাব।

# নাম-মাহাত্ম্য

হিন্দুসকলৰ মাজত নাম-ধৰ্ম আছে। কেৱল ঈশ্বৰৰ নাম জপ কৰিলেই ঈশ্বৰৰ ওচৰ চাপিব পৰা যায় বুলি বিশ্বাস এটি আছে। এইটো বিশ্বাস কেৱল ঈশ্বৰৰ নামতেই নহয়, মানুহৰ নিজা নামৰ বিষয়তো এই বিশ্বাস অনুসাৰে নিষ্ঠাৱানসকলে কাম কৰে। নিষ্ঠাবান লোকে ল'ৰা-ছোৱালীৰ নামকৰণৰ সময়ত সিহঁতৰ দুটি নাম ৰাখে, এটি গুপুত নাম আৰু এটি প্ৰকাশ্য নাম। গুপুত নাম কেৱল জন্ম-সোঁৱৰণীতহে লিখা থাকে আৰু প্ৰকাশ্য নামেৰে সিহঁতক মতা হয়।

মানুহৰ বিশ্বাস যে আচল গুপুত নামটো জানিলে, সেই নামৰ আলম লৈ তেওঁৰ বিৰুদ্ধে কুমন্ত্ৰ চলাব পাৰি। মৰা মানুহৰ নামত তৰ্পণ কৰিব লাগিলেও আচল নামটোৰ সহায়তহে তেওঁৰ নামত দান-দক্ষিণা দিব পাৰি। সেইদৰে দেও-ভূত আদিয়ে মানুহৰ গাত লম্ভিলে, ভূতৰ ওজাই দেও-ভূতৰ "জনম-জাতি" আৰু নাম উচ্চাৰণ কৰে। দেও-ভূতৰ নাম নেজানিলে সিহঁতক খেদিব নোৱাৰি।

এই বিশ্বাস আন এটি আত্মিক বিশ্বাসৰ ওপৰত বৰ্তি আছে। সেইটো হৈছে নামেই জীৱাত্মাৰ প্ৰতিকৃতি। নামেই আত্মা আৰু আত্মাই নাম। হিন্দুসকলে শব্দ-ব্ৰহ্মত বিশ্বাস কৰে। ব্ৰহ্ম (পৰমাত্মা) শব্দময় আৰু শব্দই (নামেই) ব্ৰহ্ম।

এই বিশ্বাস পুৰণিকলীয়া আন আন সভ্য জাতিৰ ভিতৰতো আছিল। খৃষ্টিয়ান বাইবেলত আছে, "In the beginning there was the Word, the Word was God." আদিতে কেৱল শব্দই আছিল, আৰু শব্দই ঈশ্বৰ।

পুৰণি ইজিপ্তৰ মানুহৰ ভিতৰতো এই বিশ্বাস অতি প্ৰবল আছিল। তেওঁলোকৰ নামকৰণ পদ্ধতিও হিন্দুৰ দৰে আছিল। গুপুত নামক তেওঁলোকে "ৰাণ" (Ran) বুলিছিল।

নাম-মাহাত্ম্যৰ বিষয়ে ইজিপ্তীয় পুৰাণত এটি সাধুকথা আছে। সৃষ্টিৰ পাতনিত কেৱল পানীহে আছিল আৰু সেই পানী জগৎপিতা ৰা'-দেৱতা আছিল। ৰা'-দেৱতাই আদেশ দিলে আৰু সেইমতে পৃথিৱী আৰু আকাশৰ সৃষ্টি হ'ল। ক্ৰমে ৰা'-দেৱতাই সকলো জীৱ-জন্তু সৃষ্টি কৰিলে।

ৰা-দেৱতাৰ বহুত নাম আছিল। তাৰ ভিতৰত এটি গুপুত নাম আছিল যাৰ বলত তেওঁ সকলো ঐশ্বৰ্য আৰু মহিমা দেখুৱাইছিল। এই গুপুত নাম দেও, ভূত, মানুহ কোনেও নেজানিছিল। আইচিচ নামে এজনী দেৱী আছিল। ৰা-দেৱতাৰ মহিমা দেখি তেওঁৰ ঈৰ্ষা উপজিল। ৰা'-দেৱতাৰ দৰে তেৱোঁ ঐশ্বৰ্যশালিনী হ'ব খোজে।

আইচিচ দেৱী যাদুকৰী আছিল। তেওঁ যাদুকৰী শক্তিৰে অলৌকিক ঘটনা ঘটাব পাৰিছিল। তেওঁৰ উদ্দাম বাসনা জাগিল কেনেকৈ ৰা'-দেৱতাৰ গুপুত নামটো জানিব পাৰে। এই গুপুত নাম ৰা'-দেৱতাত বাদে কোনেও নেজানিছিল। আইচিচে ছল-ছেগ চাই থাকে। এদিনাখন ৰা'-দেৱতাই সিংহাসনত বহি বিশ্বৰ ঘটনাৰ ওপৰত ৰায় জাৰি কৰি আছে। কথা কওঁতে কওঁতে ৰা'-দেৱতাৰ মুখৰ পৰা থু ওলাইছে। ৰা'-ই সেই থু সিংহাসনৰ তলত মাটিত পেলালে। সভা ভঙ্গ হোৱাত আইচিচে থু পৰা মাটিখিনি বুটলি ল'লে। সেই মাটিখিনি মাৰি লৈ তেওঁ যাঠি এপাট সাজিলে। পিছত যাঠিপাট জুইত পুৰিলে। জুইৰ সেকত যাঠিপাঠ বিষধৰ সৰ্প হ'ল। আইচিচে সেই সাপডাল ৰা'-দেৱতাই সচৰাচৰ অহা-যোৱা কৰা বাটত থৈ দিলে। আইচিচত বাজে কোনেও সাপডাল নেদেখে।

এদিনাখন ৰা'-ই অনুচৰসকল লগত লৈ বাটত টহল দিছে। হঠাৎ ভৰিত সাপে খুঁটিলে। বিহ বিয়পি গাত জুই জ্বলাদি জাগি উঠিল। ৰা'-ই পোৰণিত চিঞৰিব ধৰিলে। বিশ্বব্ৰহ্মাণ্ড ভেদি চিঞৰণিৰ খলক উঠিল।

মৃত্যু-যন্ত্ৰণাত ৰা'-দেৱতাই নিজৰ ল'ৰা-ছোৱালীবোৰক ওচৰলৈ

মাতিলে। লগতে আইচিচো গ'ল। আইচিচে ক'লে, "বিশ্বপিতা, তোমাৰ গুপুত নাম যদি মোক কোৱা, তোমাৰ নামৰ বলেৰে তোমাৰ পোৰণি বিহ নাইকিয়া কৰিব পাৰো।"

ৰা'-দেৱতাই আইচিচৰ কথাত আছাট-বিছাট কৰিলে। গুপুত নাম দিবৰ ইচ্ছা নাই। আন সহস্ৰ নামৰ ভিতৰত কেইটিমান ক'লে, "মোৰ তিনিটা নাম, পুৱা খেপেৰা, দুপৰীয়া ৰা' আৰু সন্ধিয়া টুম।" আইচিচে বুজিছে যে দেৱতাই আচল গুপুত নামটো কোৱা নাই। তথাপি আনক দেখুৱাবলৈ এই তিনিটা নামেৰেই জাৰিলে। কিন্তু মন্ত্ৰ নেফাঁপে। আইচিচে, ক'লে, "পিতৃ দেৱতা, আপুনি শক্তিশালী গুপুত নাম প্ৰকাশ কৰা নাই। সেই নামেৰে জাৰিলেহে আপোনাৰ বিহ নামিব।" দেৱতাৰ গাত বন পোৰা জুইৰ দৰে বিহ ছানি উঠিল। পোৰণিত তত নেপাই ৰা'-ই উচ্চাৰণ কৰিলে, "মোৰ গুপুত নাম মোৰ অন্তৰৰপৰা গৈ, আইচিচৰ অন্তৰত উদয় হ'ক।" ইচ্ছা প্ৰকাশ কৰা মাত্ৰকে ৰা'-দেৱতাৰ অন্তৰ্দ্ধান হ'ল। বিশ্বব্যাপী এন্ধাৰ নামিল। সেই এন্ধাৰত আইচিচৰ মনত ৰা'-দেৱতাৰ গুপুত নামৰ উদয় হ'ল।

আইচিচে সেই নামক উদ্দেশ্য কৰি মন্ত্ৰ মাতিবলৈ ধৰিলে, "হেৰৌ বিহ, তই ৰা'-ৰ গাৰপৰা আঁতৰি যা। তেওঁৰ কলিজাৰপৰা, তেওঁৰ তেজৰপৰা—মুখেৰে ফেনে-ফোটোকাৰে ওলাই আহ। মোৰ মন্ত্ৰ ফাঁপিছে, মই বিষধৰ সৰ্পক বধ কৰিছো। বিহ নামি আহি মাটিত ছিটিকি পৰিছে। ৰা'-দেৱতা বাচি উঠক, তেওঁৰ নাম মোৰ হৃদয়ত জাগি উঠিছে।"

এনেতে ৰা'-দেৱতাৰ আবিৰ্ভাৱ হ'ল। শৰীৰত বিহ নাই, তেওঁ পূৰ্ণ জ্যোতিৰে বিদ্যমান!

# তুলসীদাস

য়ুৰোপ, আমেৰিকা আদি মহাদেশৰ প্ৰত্যেকটো খণ্ড জাতিয়েই সমগ্ৰ মহাদেশৰ সাহিত্য-সংস্কৃতি আদিক নিজ নিজ জাতিৰ সাধনাৰ বস্তু বুলি ভাবে। কিয়নো ব্যাপকভাৱে খণ্ড জাতিবোৰে সমস্ত মহাদেশৰেই সংস্কৃতিৰ উত্তৰাধিকাৰী বুলি মানি লয়। সেই কাৰণে ইংলেণ্ড আদি দেশত ফৰাচী, জাৰ্মানী আদি দেশৰ সাহিত্য আৰু সংস্কাৰৰ আলোচনাৰ কিতাপ অলেখ। ইংৰাজৰ আমোলৰ ৰাজনৈতিক ব্যৱধানৰ কাৰণে অনুৰূপভাৱে ভাৰতৰ খণ্ড জাতিবোৰৰ ভিতৰত প্ৰচাৰ লাভ কৰিব পৰা নাই। সেই কাৰণে আন আন প্ৰদেশৰ মানসিক আৰু আত্মিক সাধনাৰ বস্তুবোৰ আমি নিজৰ নিজৰ বুলি ভাবিবলৈ এতিয়াও শিকা নাই। এই দৃষ্টিকোণৰপৰা চালে তুলসীদাসৰ সাধনা আমাৰ ভাৰতবাসীৰ পূৰ্বপুৰুষসকলৰ সাধনাৰ এটি অধ্যায় মাথোন।

তুলসীদাসৰ জন্ম হয় মহাভাৰতৰ বিখ্যাত হস্তিনাপুৰ নগৰত। জন্ম চন খ্ৰীষ্টীয় ১৫৩২। তেওঁ কুলত কনোজী ব্ৰাহ্মণ। বাপেকৰ নাম আত্মাৰাম আৰু মাকৰ নাম হুলাগী। তেওঁৰ নিজৰ নাম আছিল—ৰাম বোলা। তুলসীদাস তেওঁৰ ভক্ত জীৱনৰ নাম। তেওঁৰ গুৰু আছিল ৰামানন্দ পন্থী নৰহৰি দাস আৰু বিদ্যাশিক্ষা আৰম্ভ কৰে সুকৰ-খেত বোলা ঠাইত।

তুলসীদাসৰ ভক্ত জীৱনলৈ পৰিৱৰ্তনৰ গুৰিত এটি ভাবিবলগীয়া ক্ষুদ্ৰ পাৰিবাৰিক ঘটনা আছিল। ডেকা তুলসীদাস অতিমাত্ৰাই তিৰোতা-সেকুৰা আছিল। তেওঁ এখন্তেকো গাভৰু ঘৈণীয়েকক নেদেখাকৈ থাকিব নোৱাৰিছিল। এদিনাখন তুলসীদাস ঘৰত নথকাত ঘৈণীয়েকে ওচৰৰ বাপেকৰ ঘৰলৈ বুলি গৈছিল। তুলসীদাসে সন্ধিয়া পৰত ঘৰলৈ আহি ঘৈণীয়েকক নেদেখি পিছে পিছে খেদি গ'ল। বাটতে আছিল নৈ এখন। তুলসীদাসে এন্ধাৰত বাৰিষাৰ ভৰ নৈ সাঁতুৰি

পাৰ হৈ ঘৈণীয়েকক লগ ধৰিলে। ঘৈণীয়েকে লাজ পাই তেওঁক ভৰ্ৎসনা কৰি ক'লে, "তুমি মোৰ বাবে যেনেকৈ বলিয়া হৈছা, ৰামৰ ভক্তিত যদি তেনে হ'লাহেঁতেন, পৃথিৱীখনেই তোমাৰ মানত সোণালী হ'লহেঁতেন।" তুলসীদাসৰ মন তিৰোতাৰ আসক্তিৰপৰা তৎক্ষণাৎ ঈশ্বৰৰ আসক্তিলৈ বাগৰি গ'ল। ৰাতিপুৱাৰ লগে লগে তেওঁ ৰাম নামত দীক্ষা ল'লে আৰু কাশীত থান ল'লে।

তিৰোতাৰ কদৰ্থনাত কেতবোৰ মানুহ অঘৰী হয়; কেতবোৰ বা ব্যভিচাৰী হয় আৰু কেতবোৰে বা দুবাৰ-তিনিবাৰকৈ বিয়াৰ ভাওনাৰ ভাৱৰীয়া হয়। কিন্তু, ইন্দ্ৰিয়ৰ ধাউতিৰপৰা অতীন্দ্ৰিয় ধাউতিলৈ পৰিৱৰ্তন মহানুভৱ পুৰুষসকলৰ পক্ষেহে সম্ভৱ। তেওঁলোকৰ সংখ্যাও বিৰল। ইটালীৰ মহাকবি ডাণ্টেও এই পৰ্যায়ৰ সাধক। ডেকা কালত তেওঁ বিয়েট্ৰিচ্ বুলি এজনী সুন্দৰী ছোৱালীৰ প্ৰেমত পৰিছিল।

ছোৱালীজনীৰ আনৰ লগত বিয়া হৈছিল আৰু কম বয়সতেই ঢুকায়। কিন্তু, কবি ডাণ্টেৰ মনৰপৰা প্ৰেমৰ উচ্ছ্বাস মাৰ নগ'ল। তেওঁ গোটেই জীৱন ধ্যান কৰি "Divine Comedy"—"স্বৰ্গীয় মহাকাব্য" নাম দি কাব্য এখনি ৰচনা কৰে। সেই মহাকাব্যৰ নায়িকা— তেওঁৰ প্ৰেমৰ পাত্ৰী বিয়েট্ৰিচ্। মহাকাব্যত বিয়েট্ৰিচ্ পাৰ্থিব প্ৰেমৰ বস্তু নহয়—তাত তেওঁ ডাণ্টেৰ স্বৰ্গীয় মোক্ষৰ পথ দেখুৱাওঁতী। মহাত্মা গান্ধীৰ জীৱনতো ৰাম-নামত আসক্তি আৰু সহধৰ্মিণীৰ প্ৰতি আসক্তিত সমান ভাবৰ খেলা এটি আছে যেন লাগে। অন্তৰত প্ৰেমৰ প্ৰবল উৎস থাকিলে ক্ষেত্ৰ ভেদে তাৰ প্ৰকাশ বেলেগ বেলেগ হয়।

ভক্ত জীৱনৰ আকাংক্ষা, ধাউতি আদি অতীন্দ্ৰিয় অনুভূতিৰ প্ৰকাশ হয় তুলসীদাসৰ মহাকাব্য "ৰাম-চৰিত-মানস" গ্ৰন্থত। দুকুৰি তিনি বছৰ বয়সত অৰ্থাৎ ১৫৭৫ খ্ৰীষ্টীয় শকত তেওঁ এই গ্ৰন্থ ৰচনা আৰম্ভ কৰে। ৰামায়ণৰ কথা হিন্দুস্থানত সৰ্বজনবিদিত আছিল। বাল্মীকিৰ সংস্কৃত ৰামায়ণ পণ্ডিত মহলত চলতি আছিল। কিন্তু, স্থানীয় অৱধী ভাষাত তেওঁ ৰামায়ণৰ কথাৰ প্ৰচাৰ কৰিলে। তুলসীদাসী

ৰামায়ণ বাল্মীকি ৰামায়ণৰ হুবহু অনুবাদ নহয়। ঘটনাৰ চকৰি দুখনতেই একেদৰে ঘূৰিলেও দুয়ো কবিৰেই দৃষ্টিকোণত আকাশ-পাতালৰ প্ৰভেদ আছে। বাল্মীকিৰ ৰামায়ণত ৰামচন্দ্ৰ এজন বীৰ পুৰুষ, তথাপি তেওঁ এজন মানুহহে। সাধাৰণ মানুহৰ দৰে তেওঁ শোক-দুখত অভিভূত হৈ পৰে। তুলসীদাসী ৰামায়ণত ৰামচন্দ্ৰ এজন অৱতাৰী পুৰুষ, তেওঁৰ ঐহিক জীৱন কেৱল লীলাময়। তেওঁৰ জীৱনৰ ঘটনাৰ চকৰি কেৱল ধৰ্ম-চক্ৰৰ সূক্ষ্ম গতিৰ পৰিদৃশ্যমান প্ৰয়োগ। ভক্তিপ্ৰৱণ হিন্দুস্থানৰ জন-সমাজত "ৰাম-চৰিত-মানস" গ্ৰন্থই প্ৰবল আলোড়নৰ সৃষ্টি কৰিলে। সৰ্বসাধাৰণৰ মাজত তুলসীদাসী ৰামায়ণে বেদতকৈও ডাঙৰ আসন আৰু মৰ্যাদা লাভ কৰিলে। পণ্ডিত মহল আতঙ্কিত হৈ উঠিল। সংস্কৃত বচনৰ যাদুকৰী শক্তি নোহোৱা হ'ল! লগে লগে পণ্ডিতৰো বজাৰত মোল কমিল। পণ্ডিতসকলে প্ৰচাৰ কৰিলে তুলসীদাসৰ পুথি বজৰুৱা ভাষাত বজৰুৱা মানুহৰ বাবে ৰচিত, তাত শাস্ত্ৰীয় কথা নাই। তুলসীদাসে উত্তৰ দিলে, "মোৰ সামাজিক অৱস্থা হীন, কিন্তু আকাঙ্ক্ষা ওখ। জ্ঞানীসকলে মোৰ ৰচনাত আনন্দ পাব আৰু মূৰ্খসকলে হাঁহিব। মূৰ্খৰ হাঁহিত মোৰ আনন্দ; সেই হাঁহিয়ে কেৱল ব্যঞ্জনা কৰিব সিহঁতৰ কাব্যৰ প্ৰতি অৰুচি আৰু ৰামভক্তিৰ প্ৰতি অৱহেলা। মোৰ ঘৰুৱা মাত আৰু অপইতা শক্তি যদি অৱজ্ঞাৰ বস্তু, সিহঁতে অৱজ্ঞা কৰক; সেইটো মোৰ দোষ নহয়। সিহঁতৰ ভগৱন্তপ্ৰীতি নাই, মোৰ ৰচনাত সিহঁতে সোৱাদ নেপায়, কিন্তু হৰি-হৰৰ ভক্তসকলৰ মনত ৰঘুপতি ৰাঘৱৰ কাহিনীয়ে মৌ বৰষিব।"

সমসাময়িক কবিসকলে ৰাধা-কৃষ্ণ লীলাৰ আলম লৈ বহুত সুৰুচিপূৰ্ণ কাব্য আৰু কবিতা ৰচনা কৰিছিল। ভজা বুট মাহৰ দৰে সেইবোৰৰ অবাৰিত চলতি। সেইবোৰক লক্ষ্য কৰি তুলসীদাসে এঠাইত কৈছে যে তেওঁৰ কাব্যৰ নাম হৈছে "ৰাম-চৰিত-মানস"। মানস শব্দৰ অৰ্থ পুখুৰী। বগলী-কাউৰীৰ দৰে ইন্দ্ৰিয়াসক্ত জীৱসকলৰ

বাবে এই পুখুৰীত ঠাই নাই। কিয়নো ইয়াত এনে কোনো কাহিনী নাই যিহে ইন্দ্ৰিয়কে উত্তেজিত কৰে বা তাক মোহিনী-শক্তিৰে মুগ্ধ কৰে। যিবোৰে কুমজেলুকা, ভেকুলী বা শেলুৱৈ বিচাৰে সেইবোৰে এই পুখুৰীলৈ আহিলে নিৰাশ হ'ব। তুলসীদাসৰ এই নৈতিক উক্তিত পণ্ডিত-অপণ্ডিত সকলো মহল নিমাত হ'ল। সেই দিন ধৰি আজিলৈকে হিন্দুস্থানী অঞ্চলত তুলসীদাসী ৰামায়ণে খ্ৰীষ্টান সমাজৰ বাইবেলতকৈ ওখ আসন গ্ৰহণ কৰি আছে। হিন্দুস্থানী কওঁতা এনে কোনো নিৰক্ষৰ মানুহ নাই যি দুআষাৰ তুলসীদাসৰ পদ আওৰাব নোৱাৰে।

কেৱল ভক্তি-গ্ৰন্থ হিছাপেই তুলসীদাসী ৰামায়ণৰ সমাদৰ হোৱা নাই। য়ুৰোপীয় পণ্ডিতসকলেও কাব্য হিছাপে ইয়াক সমাদৰ কৰে। "ৰাম-চৰিত-মানস"ৰ কেতিয়াবাই ইংৰাজ পণ্ডিত Growse-অৰ ইংৰাজী ভাঙনি ওলাইছে। তেওঁলোকে পৃথিৱীৰ সৰ্বশ্ৰেষ্ঠ হোমাৰ, ভাৰ্জিল, ডাণ্টে আদিৰ মহাকাব্যৰ শাৰীতে তুলসীদাসী গ্ৰন্থৰ আসন নিৰ্দেশ কৰে।

অসমীয়া মানুহে তুলসীদাসৰ ৰামায়ণৰ প্ৰতি আদৰৰ জোখ পাব; আমাৰ দেশৰ "কীৰ্তন" পুথিৰ প্ৰতি অসমীয়া মানুহৰ আদৰৰ পৰা। অসমীয়া গাঁৱলীয়া সমাজত নিৰক্ষৰ গৃহস্থয়ো "কীৰ্তন" পুথি এখনি চিলিঙাত ৰাখি গুৰু-সেৱাৰ সময়ত সেইখনক আগত ৰাখি গুৰুৰ প্ৰতীক বুলি সেইফালে মান দেখুৱায়। যি গৃহস্থৰ ঘৰত কীৰ্তন পুথি নাই সেই গৃহস্থৰ ঘৰক মেলেছৰ ঘৰ বুলি কোৱাও শুনা যায়। কিন্তু হিন্দুস্থানী কওঁতা মানুহৰ সংখ্যা অলেখ। ৰাজ্য অতিশয় বহল। হিন্দুস্থানী মানুহো সৰ্বভাৰতত সিঁচৰতি হৈ আছে। সেই কাৰণে তুলসীদাসৰ নাম সৰ্বভাৰতবিদিত। কিন্তু আধুনিক ভাষাত লিখা এই তিনিখন পুথিয়ে দেৱতাৰ আসন গ্ৰহণ কৰিছে:

(১) তুলসীদাসৰ "ৰামায়ণ", (২) শিখসকলৰ "গ্ৰন্থছাহেব", (৩) অসমীয়াৰ "কীৰ্তন" পুথি। কিন্তু ওপৰত কোৱা কাৰণত তুলসীদাসৰ প্ৰভাৱ অতুলনীয়। মহাত্মা গান্ধীৰ ধৰ্ম-জীৱন গঠনত তুলসীদাসৰ প্ৰভাৱ গীতা শাস্ত্ৰৰ তলতেই।

এয়ে তুলসীদাসৰ চৰিত্ৰৰ মাহাত্ম্য। যিজন পুৰুষে অতিশয় তিৰোতা-সেৰুৱা হিচাপে জীৱন আৰম্ভ কৰে, তেওঁ অতীন্দ্ৰিয় প্ৰেমভক্তিৰ মাহাত্ম্য প্ৰচাৰ কৰি কোটি কোটি জন-প্ৰাণীৰ শান্তিৰ পথ মুকলি কৰি দিছে।

আমাৰ দেশত শঙ্কৰদেৱৰ ভক্ত-জীৱনৰ কবিত্ব প্ৰতিভা, গীত, পদ, ভাওনা আদিত যেনেকৈ ফুটি ওলাইছে, তুলসীদাসৰ বহুমুখী প্ৰতিভায়ো নানান ছন্দত ৰাম-চৰিত্ৰৰ পুখুৰীত অৱগাহন কৰিছে।

তুলসীদাসে কোনো ধৰ্ম-সম্প্ৰদায় স্থাপনা কৰা নাই। কিম্বা কোনো নতুন দাৰ্শনিক সত্য উদ্‌ঘাটন কৰা নাই। কিন্তু তেওঁৰ ৰচনাই স্বৰ্গৰ প্ৰেম-ভক্তিৰ দুৱাৰ মোকলাই দি অলেখ নৰ-নাৰীৰ হৃদয়ত শান্তিৰ পানী ছটিয়াই দিছে।

# এমুঠি সৰিয়হৰ গুটি

এসময়ত এজন ধনকুবেৰ আছিল। তেওঁ নিতৌ ভঁৰালত সাঁচি থোৱা সোণ ৰূপবোৰ চাই দিনটোলৈ সন্তোষ লভিছিল। এদিনাখন ভঁৰালৰ দুৱাৰ মেলি দেখিলে সোণ ৰূপৰ ঠাইত এপাচিমান ছাই আছে। ধনকুবেৰ শোকত মাটিত বাগৰি পৰিল।

এজন বন্ধুৱে বেমাৰৰ বাতৰি পাই সান্ত্বনা দিবলৈ আহি ক'লে, "তুমি ধনৰ সজ ব্যৱহাৰ কৰা নাই। সাঁচি থোৱা ধন ছাইৰ নিচিনা, সেই কাৰণে সেইবোৰে স্বৰূপ ধাৰণ কৰি, তোমাক নিজৰ মোল দেখুৱাইছে। তুমি মোৰ উপদেশ লোৱা। ছাইবোৰ বজাৰলৈ লৈ যোৱা। সেইবোৰক কাপোৰ এখনত মেলি লৈ বিকিবলৈ আগবঢ়োৱা।"

ধনকুবেৰে তাকেই কৰিলে। মানুহে সোধে, "তুমি ছাই বেচা কিয় ?" কুবেৰে উত্তৰ দিয়ে, "মোৰ সম্পত্তি মই বিকিব খুজিছো।"

এদিনাখন কৃশা গৌতমী নামেৰে এজনী মাউৰা ছোৱালী কুবেৰৰ ওচৰত থিয় হৈ সুধিলে, "দেউতা, আপুনি সোণ-ৰূপবোৰ কিয় বেচিবলৈ মেলি থৈছে ?" কুবেৰৰ মূৰ আচন্দ্ৰাই কৰিলে। সোণ-ৰূপ ক'তা ? মনৰ আউল-জাউল থমাই ছোৱালীজনীক ক'লে, "মোক এমুঠি সোণ-ৰূপ আগবঢ়াই দিয়াচোন।" কৃশা গৌতমীয়ে ছাই এমুঠি হাতত ল'লে। কুবেৰে চাই দেখে সেইবোৰ ছাই নহয়, সোণ-ৰূপহে !

ধনকুবেৰে বুজিলে কৃশা গৌতমী এজনী আত্মিক-দৃষ্টি থকা দৈৱশক্তিসম্পন্না ছোৱালী। ধনকুবেৰে নিজৰ ল'ৰালৈ বিয়া কৰাই ছোৱালীজনীক ঘৰতেই ৰাখিলে।

কালক্ৰমে কৃশা গৌতমীৰ একেটি মাত্ৰ সন্তান হ'ল। সিয়ো এদিনাখন মৰি থাকিল। শোকত উদ্বাউল হৈ কৃশা গৌতমীয়ে মৰা ল'ৰাটো কোলাত লৈ ওচৰ-চুবুৰীয়াহঁতৰ দুৱাৰমুখলৈ গৈ দৰব খুজিলে।

সিহঁতে হুমুনিয়াহ একোটি কাঢ়ি ক'লে, "এইজনী বলিয়া হ'ল। ল'ৰাটো মৰিছে।"

শেহত এজন বাটৰুৱাই ক'লে, "মই নিজে ঔষধ দিব নোৱাৰো, কিন্তু জনা বেজৰ সন্ধান দিব পাৰো। কৃশাই উৎকণ্ঠাৰে সুধিলে, "সেইজন কোন ?" বাটৰুৱাই ক'লে, "বুদ্ধ শাক্যমুনি।"

কৃশাই বুদ্ধ শাক্যমুনিৰ ওচৰ পাই কাতৰস্বৰে ক'লে, "প্ৰভু, ভগৱান, মোৰ ল'ৰাটো বচোৱা—ঔষধ দিয়া !"

বুদ্ধ শাক্যমুনিয়ে উত্তৰ দিলে, "মোক এমুঠি সৰিয়হৰ গুটি আনি দিয়া। এনে এঘৰৰপৰা সৰিয়হ আনিবা যাৰ ঘৰত কোনো আত্মীয়-স্বজনৰ বিয়োগ ঘটা নাই।"

কৃশাই ঘৰে ঘৰে সৰিয়হ খুজি ফুৰিব ধৰিলে। তাইৰ প্ৰতি সকলোৰে করুণাপূৰ্ণ দৃষ্টি। সকলোৱে কয়, "নিয়া কিমান লাগে সৰিয়হৰ গুটি !" কিন্তু কৃশাই যেতিয়া সোধে, তেওঁলোকৰ পৰিয়ালত কোনো স্বজনৰ মৃত্যু ঘটিছে নে নাই, তেতিয়া সকলোৱে উত্তৰ দিয়ে, "মৰাৰ সংখ্যা জীয়াতকৈ বেছি। শোকৰ বুৰঞ্জীৰ আৰু পাত নেমেলাবা।" যি ঘৰত কোনো মানুহ মৰা নাই তেনে ঘৰ কৃশাই বিচাৰি নেপালে।

শোক আৰু নৈৰাশ্যত কাতৰ হৈ কৃশাই ৰাজবাটৰ দাঁতিত বহি নগৰৰ ফালে চাই আছে। ঘৰে ঘৰে চাকি-বন্তি জ্বলি উঠিল, মাজনিশা আকৌ চাকি-বন্তি নুমাল। পৃথিৱী তমসাচ্ছন্ন। সেই এন্ধাৰৰ মাজত কৃশাই পোহৰ দেখিলে।

কৃশাৰ মনত পোহৰৰ ৰেখা পৰিল—"এই যে চাকি-বন্তিবোৰ জ্বলি উঠি আকৌ নুমাল, মানুহৰ জীৱনো তেনে নহয়নে ? মানুহৰ জীৱন-শলিতা জ্বলি উঠে, আকৌ নুমায়। জীৱন-মৰণেই মানুহৰ ভাগ্যৰ ভুপিঠি। মই তেনেহ'লে সন্তান-শোকত ইমান বিহ্বল কিয় ? এইটো মোৰ স্বাৰ্থপৰতা।"

তেতিয়া কৃশাই মৰা ল'ৰাটো পুতি থৈ, শাক্যমুনি বুদ্ধৰ ওচৰলৈ আহি তেওঁত শৰণ ল'লে।

পৃথিৱীত বতাহ, বৰষুণ, ধুমুহা আদি প্ৰাকৃতিক দুৰ্যোগ আছে। সেইবোৰ নাইকিয়া কৰিবৰ কাৰো শক্তি নাই, সেইবোৰৰপৰা ৰক্ষা পৰিবলৈ আশ্ৰয়ৰ থল মানুহে কৰিব পাৰে। জন্ম-মৃত্যু, শোক-তাপ সংসাৰত কোনেও ৰোধ কৰিব নোৱাৰে, কিন্তু সেইবোৰৰ দৌৰাত্ম্যৰ পৰা সাৰিবৰ একমাত্ৰ উপায়—অবিচলিত চিত্তেৰে সত্যৰ ধ্যান।

# কামনাত কেৰোণ

মহাকবিৰ বচন আছে যে দেৱতা ঈশ্বৰে আমাৰ সকলো কামনাকেই সফল নকৰি, আমাৰ উপকাৰহে সাধে। কিয়নো সকলো বাসনা ফলৱতী হ'বলৈ হ'লে মানুহৰ সুখ-শান্তি নাইকিয়া হ'ব। মানুহৰ মঙ্গলৰ বাবে কি ভাল, কি বেয়া, দেৱতা-ঈশ্বৰেহে জানে। মানুহে নিজে যিটো ভাল বুলি দেৱতাৰ ওচৰত মাগে, তাৰ ফল ভালেমান সময়ত বেয়া হয়। ইয়াৰ উদাহৰণ স্বৰূপ তলত তিনিটা গ্ৰীক পুৰাণৰ আখ্যান দিয়া হ'ল।

(ক) সোণালী পৰশ

(খ) অমৰ প্ৰেমিক

(গ) অৰূপ ধুনীয়া তিৰোতা

## (ক) সোণালী পৰশ

পুৰণি কালত এছিয়া মাইনৰ খণ্ডত লিডিয়া বুলি এখন ৰাজ্য আছিল। তাত মাইদাচ নামে এজন ধনৰ ৰজা খকুৱা আছিল। সৰু কালত পিপৰা-পৰুৱাবোৰে অকণি অকণি মুখেৰে খুদ কঢ়িয়াই আনি সৰু সৰু হাফলু বন্ধা দেখি তেওঁ মনতে ভাবিছিল যে ৰজা হ'লে তেৱোঁ নিজ কাৰেং-ঘৰটো সোণ-ৰূপৰ হাফলু যেন কৰিব।

ডেকা বয়সত মাইদাচ ৰজা হ'ল। নানা উপায় উদ্ভাৱনা কৰি প্ৰজাসকলৰ পৰা ধন গোটাবলৈ ধৰিলে। তেওঁৰ সকলো ধাতুৰ মুদ্ৰা আৰু বস্তুকেই সোণৰ সলনি সলাবলৈ ধৰিলে। সোণৰ হালধীয়া ৰঙৰ বাহিৰে তেওঁক আন একো ৰঙেই সন্তোষ দিব নোৱাৰিছিল। আমাৰ দেশৰ ভঙ্গুৱাৰ দেৱতা যেনে মহাদেৱ সেইদৰে পুৰণি গ্ৰীচতো মদাহীৰ দেৱতা আছিল বেকাচ। তেওঁ কিবা এটি ছলত বেকাচ দেৱতাক প্ৰসন্ন কৰিলে।

বেকাচত বৰ মাগিলে—“মই হাতেৰে যি বস্তু চোওঁ সেয়ে সোণ হওক।” দেৱতাই হয়ভৰ দি জনালে—“তথাস্তু, তেনে হওক।”

পৰীক্ষা চাবলৈ মাইদাচে বৰ গছৰ ঠানি এটা চুলে। ঠানিটো ততালিকে সোণৰ ফুলজাৰি হ’ল আৰু গুটিবোৰ সোণৰ মণি হৈ জিলমিলাবলৈ ধৰিলে। শিল এডোখৰ চুলে—সিও শিল গুচি সোণৰ হীৰা হ’ল। আপেল ফল এটি হাতত ল’লে, ফল গুচি সোণৰ লাড়ু এটি হাতত থিতাপি হ’ল। আনন্দত ৰজা আপোন-পাহৰা! সঁচাকৈ তেওঁ সোণালী পৰশ পালে।

আনন্দত অধীৰ হৈ কৃপণ ৰজাই ডাঙৰ ভোজ এটি পতাই সকলো বিষয়ববীয়াকেই বোলন দিয়ালে। ৰজাৰ ভোজ! ফল-মূল, মদ-মঙহৰ ভৰত টেবুল ভাঙো ভাঙো! ভোক বঢ়াবলৈ ৰজাই মদ এঢোক মুখত ঢালিলে—ৰাতি গচক খোৱা বোন্দা কেঁচুৰপৰা ওলোৱা জিলমিলিয়া পদাৰ্থৰ দৰে ৰজাৰ মুখৰপৰা হালধীয়া জুলীয়া বাখৰ কিছুমান কোৰাৰিৰে বাগৰি পৰিল। মঙহ এডোখৰ মুখত দলিয়াই দিলে, খটককৈ দাঁতত লাগিল—শিলৰ দৰে বাগৰি পৰিল। শিলৰ দৰে টান সোণৰ গুলি! লঘোনত মৰিব।

ৰজাৰ মূৰ আচন্দ্ৰাই কৰিলে। বিছনাত গৈ ধৰ্ ফৰাই বাগৰি পৰিল। আচৰিত! গাখীৰৰ ফেনৰ দৰে আতোলতুলীয়া গাৰুটো সোণৰ পাথৰ এডোখৰত পৰিণত হ’ল। যিফালেই বাগৰ সলায় নৰম কাপোৰৰ ঠাইত ডাঠ সোণৰ পাত এডোখৰ হয়।

ৰজাৰ চেতনা নাই। ভঙুৱা মদাহীৰ দৰে ঢলং-পলংকৈ গৈ বেকাচ দেৱতাৰ ভৰিত দীঘল দি পৰিল। কাবৌ কৰিবলৈ ধৰিলে—“মোক সোণৰ অত্যাচাৰৰপৰা ৰক্ষা কৰক।” বেকাচে ভেকাহি মাৰি উত্তৰ দিলে—“ইমানতে সোণৰ খক পলালনে? সৌৱা নৈখনত বুৰ মাৰাগৈ, নৈয়ে সোণালী পৰশ ধুই পেলাব।” মাইদাচে ৰ’দে পোৰা মানুহৰ দৰে জপংকৈ নৈত জঁাপ দিলে। সোণালী

পৰশ উটি গ'ল। কিন্তু, বালিবোৰত আমাৰ সোৱণশিৰি নদীৰ দৰে সোণৰ কণিকা বিয়পি পৰিল।

## (খ) অমৰ প্ৰেমিক

আমাৰ দেশৰ পুৰাণ শাস্ত্ৰত যাক উষাদেৱী বোলো, গ্ৰীচ দেশৰ পুৰাণত তেওঁৰ নাম আছিল অৰোৰা দেৱী। অৰোৰা অপৰূপ সুন্দৰী; তেওঁৰ গালৰ সেন্দূৰীয়া ৰঙেৰে সকলো দিশ পোহৰ হয়। পুৱা বেলিকা অৰোৰা দেৱীয়ে পুব দিশৰ মুকুতাৰ দুৱাৰ মেলি দিয়ে আৰু সাতোটা ঘোঁৰাৰ ৰথ ডকাই সূৰ্য দেৱতা বাহিৰলৈ ওলায়।

এছিয়া মাইনৰৰ ট্ৰয় ৰাজ্যত তিথোনাচ নামে এজন ডেকা পুৰুষ আছিল। অৰোৰা দেৱীৰ ৰূপত মুগ্ধ হৈ ডেকাই দোকমোকালিৰ আগতেই বিছনাৰপৰা উঠি বাহিৰ ওলাই পুব মুখলৈ খাপ লৈ থাকে— অৰোৰা দেৱীৰ ৰঙচুৱা সৌন্দৰ্য চাবলৈ! দিনৰ পিছত দিন গ'ল। তিথোনাচৰ ধ্যান অৰোৰাৰ চকুত পৰিল। তিথোনাচৰ সবল, সুঠাম দেহৰ প্ৰতি অৰোৰাৰো স্পৃহা জন্মিল। কিন্তু, দেৱী হ'ল অমৰ আৰু তিথোনাচ হ'ল মৰণশীল নৰ মনিচ। অভেদ মিলনৰ সম্ভাৱনা নাই।

অৰোৰা দেৱীয়ে সৰগৰ ৰজা জুপিটাৰৰ ওচৰত জেউৰ ধৰিলে, এটোপা মাথোন অমৃত কণিকা দি তিথোনাচক অমৰ কৰিব লাগে। সুন্দৰীৰ জেউৰ জুপিটাৰে অগ্ৰাহ্য কৰিব নোৱাৰিলে।

তিথোনাচ অমৃত খাই অমৰ হ'ল।

বছৰৰ পিঠিত বছৰ বাগৰি যাবলৈ ধৰিলে। দেৱীৰ অভেদ প্ৰণয়-লীলাও চলিল। কিন্তু, কালৰ ক্ষয়-শক্তিৰ পৰিচয় স্বৰূপে তিথোনাচৰ মূৰত বগা চুলিৰ গজালি মেল খালে, গাৰ ছালৰ চিকচিকীয়া ৰং মলিন হ'বলৈ ধৰিলে। কালক্ৰমে বাৰ্দ্ধক্যৰ সকলো লক্ষণ তিথোনাচৰ শৰীৰত প্ৰকাশ পালে। অৰোৰা দেৱী কিন্তু স্থিৰ যুৱতী। তিথোনাচ অমৰ, কিন্তু স্থিৰ যুৱা নহয়। দেৱীয়ে অমৰত্ব মাগিলে, কিন্তু স্থিৰ যৌৱন মাগিবলৈ পাহৰিলে।

সময়ৰ সোঁতত তিথোনাচ আলব-অথৰ বুঢ়া হ'ল। অৰোৰাই মনত প্ৰমাদ গণিলে। কিছুমান দিন আলপৈচানৰ ভয়ত সৰু কোঠালি এটিত অমৰ স্বামীক বন্ধ কৰি ৰাখিলে। তাতো অসুবিধা বহুত। শেষত নিৰুপায় হৈ দেৱতাত বৰ মাগিলে, তিথোনাচ যেন ফৰিং এটা হৈ ঘাঁহৰ পাতত জঁপিয়াই ফুৰে। অৰোৰাৰ করুণ অৱস্থা লক্ষ্য কৰি দেৱতাই তিথোনাচক ফৰিঙত পৰিণত কৰিলে।

## (গ) অৰূপ ধুনীয়া তিৰোতা

পুৰণি কালত এছিয়া মাইনৰ বোলা ভূখণ্ডত ট্ৰয় নামে ৰাজ্য এখন আছিল। তাৰ ৰাজকোঁৱৰ পেৰিচে দৈৱদোষত আমাৰ শ্ৰীকৃষ্ণৰ দৰে সৰুকালত আনৰ অজানিতভাৱে ছাগলীৰখীয়াৰ কাম কৰিব-লগীয়াত পৰিছিল। হাবিয়ে-বননিয়ে ছাগলী চৰায় ফুৰে। এদিনাখন স্বৰ্গৰ তিনিজনী দেৱমূৰ্তি আহি আগত উপস্থিত। লগত এটি সোণালী আপেল ফল। তাৰ বাকলিত লিখা আছিল—"আটাইতকৈ শুৱনি তিৰোতালৈ উপহাৰ।" বিচাৰ কৰি তিনিওৰো যেয়ে সৰ্বসুন্দৰী তেওঁক সোণালী ফলটো বঁটাস্বৰূপে দিব লাগে।

থেতিচ নামে জলকুঁৱৰী এজনীৰ পেলিউচ নামে ৰজাৰ লগত বিয়া। বিয়ালৈ সৰগৰ সকলো দেৱ-দেৱীকেই বোলন দিয়া হৈছিল আৰু সকলো আহিছিল। কিন্তু, আমাৰ টুটকীয়া নাৰদ ঋষিক যেনেকৈ সকলোৱে বিয়া-বাৰুত ভয় কৰে তেনেকৈ গ্ৰীকসকলেও কোঢ়ালৰ দেৱতা এৰীচ দেৱীক ভয় কৰি বিয়ালৈ মতা নাছিল। লাজ-অপমানত এৰীচ জিঘাংসু হৈ উঠিল। বিয়াৰ মণ্ডপ যেতিয়া ৰং-ৰহইচ, আনন্দ-স্ফূৰ্তিৰে মুখৰিত তেতিয়া এৰীচে এটা সোণালী আপেল দলিয়াই দিলে; তাৰ বাকলিত লিখা আছিল—"আটাইতকৈ শুৱনি তিৰোতালৈ।" তিৰোতাসকলৰ ভিতৰত উখল-মাখল লাগিল। প্ৰত্যেকেই নিজক বঁটাৰ উপযুক্ত বুলি ভাবি ল'লে।

শেষলৈ নিকপকপীয়াভাৱে দাবি জনোৱাৰ ভিতৰত থাকিল তিনি-গৰাকী দেৱীমূৰ্তি—জুনো (স্বৰগৰ ৰাণী), মিনাৰ্ভা (জ্ঞান-প্ৰজ্ঞানৰ অধিষ্ঠাত্ৰী দেৱী—সৰস্বতী) আৰু ভেনাচ (প্ৰেম আৰু সৌন্দৰ্যৰ অধিষ্ঠাত্ৰী দেৱী অৰ্থাৎ ৰতিদেৱী)। এওঁলোকৰ প্ৰত্যেকেই নিজক অৰূপ ধুনীয়া বুলি নিজৰ বিশ্বাসক খামুচি ধৰি থাকিল। নৰ-দেৱতাৰ ভিতৰত কোনেও মধ্যস্থ হ'বলৈ সাহ নকৰিলে। ছাগলীৰখীয়া কোঁৱৰ পেৰিচৰ সুবিচাৰক বুলি খ্যাতি আছিল। সেই কাৰণে তিনিও তেওঁৰ ওচৰ পালেগৈ।

মিনাৰ্ভাই গোচৰ জনালে—“মোক যদি সোণালী আপেলটো দিয়া, মই তোমাক জ্ঞান-বিজ্ঞানৰ পোহৰেৰে জিলিকাই ৰাখিম। তুমি সুখ-শান্তিৰ অধিকাৰী হ'বা।”

জুনোৱে নিবেদন কৰিলে—“ফলটো মোক দিয়া, তোমাক অফুৰন্ত ধন আৰু অসীম ক্ষমতাৰ মালিক কৰিম।”

কিন্তু, প্ৰেম-সৌন্দৰ্যৰ অধিষ্ঠাত্ৰী দেৱী ভেনাচে যেতিয়া কৃত্ৰিম সৰলতাৰ মোহিনীৰূপ ধাৰণ কৰি পেৰিচৰ কাণে কাণে ফুচফুচাই ক'লে—“ফলটো মোক দিয়া, মোৰ নিচিনা অপৰূপ সুন্দৰী এজনী তোমাক তিৰোতা স্বৰূপে দিম।” তেতিয়া জ্ঞানৰ গৰিমা আৰু ধন-ক্ষমতাৰ লালসাৰ সপোন পেৰিচৰ মনৰপৰা পাতল ডাৱৰৰ দৰে উৰি গ'ল।

সৌন্দৰ্যৰ মাদকতাত পেৰিচে ভেনাচৰ মেলা-হাতৰ তলুৱাত সোণালী আপেলটো অৰ্পণ কৰিলে। ভেনাচেও নিজৰ প্ৰতিজ্ঞা পূৰণৰ অৰ্থে লাগি বান্ধি উঠিল। তেওঁৰ উদগনি অনুসাৰে পেৰিচে বাপেকৰ ৰাজ্যলৈ গৈ নিজৰ পদ দখল কৰি ল'লে। ভেনাচে প্ৰেৰণা যোগালে, পেৰিচ গ্ৰীচ দেশলৈ ফুৰিবলৈ যাব লাগে। দেৱতাৰ কথা আওহেলা কৰিব নোৱাৰি। নাও-ব'ঠা লৈ পেৰিচ গ্ৰীচ দেশৰ স্পাৰ্টা ৰাজ্যৰ আলহী হ'ল।

স্পাৰ্টাৰ ৰজা মেনিলচৰ ৰাণী পুৰণি কালত অতুলনীয় ৰূপৰ

গৰাকী বুলি খ্যাতি আছিল। সেই ঘৰতে পেৰিচ আলহী। ৰজা-ৰাণীয়ে অতি সন্মানেৰে তেওঁৰ আল ধৰিলে। ইতিমধ্যে কেই-দিনমানৰ বাবে মেনিলচে ঘৰ এৰিবলগীয়া হ'ল। ৰাণী হেলেনৰ ওপৰত আলহী সোধাৰ ভাৰ দি ৰজা স্থানান্তৰলৈ গ'ল।

এই শূন্য ক্ষণতে দেৱী ভেনাচে আলহী কোঁৱৰ আৰু গিৰিহঁতনী ৰাণীৰ অন্তৰত প্ৰেমৰ ঢলপানীৰ জোৱাৰ তোলালে। দুয়োৰে আকৰ্ষণ অনিৰ্বাৰ হৈ উঠিল। ৰজাৰ অনুপস্থিতিত পেৰিচ আৰু হেলেন অবৈধ প্ৰীতিৰ ডোলত মেৰ খাই পলাল—নাও-ব'ঠাৰে ট্ৰয় ৰাজ্যৰ কাৰেঙত উপস্থিত হ'ল।

এই ঘটনাটো হ'ল সংস্কৃত মহাকাব্য ৰামায়ণৰ দৰে প্ৰসিদ্ধ গ্ৰীক মহাকাব্য ইলিয়াদৰ পট-ভূমিকা। সীতাৰ উদ্ধাৰ আৰু হেলেনৰ উদ্ধাৰ সমান্তৰাল ঘটনা। সীতাক উদ্ধাৰ কৰোতে লঙ্কা ধ্বংস হ'ল, আৰু হেলেনক উদ্ধাৰ কৰোতে ট্ৰয় নগৰ ধূলিত পৰিণত হ'ল। গ্ৰীচৰ ৰজাসকলে হেলেনৰ হৰণক সমগ্ৰ গ্ৰীচ জাতিৰ প্ৰতি অপমান বুলি মানি ল'লে। ট্ৰয় ৰাজ্যৰ বিৰুদ্ধে অভিযান হ'ল। দহ বছৰৰ মূৰত ছলে-ছন্দে ট্ৰয় ৰাজ্য সমূলঞ্চে ধ্বংস কৰি হেলেনক উদ্ধাৰ কৰা হ'ল। যুদ্ধত পেৰিচৰো নিপাত হ'ল।

এয়ে দেৱতাৰ বৰ! বৰ আখৰে আখৰে ফলিয়ায়; কিন্তু ফলাফল ভোগ কৰিব লাগে মাগোঁতাজনে। তাৰ বাবে বৰ দিয়া দেৱতা জগৰীয়া নহয়। অৰোৰাই কামনা অনুসাৰে অমৰ প্ৰেমিক পাইছিল, কিন্তু প্ৰেমিকৰ স্থবিৰত্বৰ বাবে দেৱতা দায়ী নহয়। মাইদাচে কামনা অনুসাৰে পৰশ পাইছিল, কিন্তু মুখত সোণৰ গুলি লৈ ভোকত মৰা অৱস্থাৰ বাবে তেওঁ নিজে দায়ী। পেৰিচেও অৰূপ শুৱনি তিৰোতা পালে—এই পৰ্যন্তই দেৱতাৰ দায়িত্ব। সেই কাৰণে দেৱতাৰ ওচৰত বৰ মাগোঁতে অতি সাৱধান হ'ব লাগে।

পণ্ডিতসকলে মানুহৰ বাসনাক দুই ভাগত ভগাইছে। প্ৰেয় আৰু শ্ৰেয়। এবিধ বাসনাই প্ৰীতি দিয়ে, আন বিধে মঙ্গল দিয়ে। বহুত

সময়ত কোনটো প্ৰীতিদায়ক, কোনটো মঙ্গলদায়ক থিৰ কৰা বৰ টান। সেই কাৰণে জ্ঞানীসকলে নিৰ্দিষ্ট বস্তুৰ প্ৰতি কামনা নজনাই, ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা কৰে।

"যচ্ছ্রেয়ঃ স্যান্নিশ্চিতং ব্ৰূহি তমে।"

"হে দেৱতা, যিটো মোৰ পক্ষে মঙ্গলদায়ক, সেইটো মোক জনাই দিয়া।"

# নাৰায়ণৰূপী জোঁৱাই

এজন তাঁতী আৰু এজন ৰথকাৰ (গাড়ী তৈয়াৰ কৰা কাঠমিস্ত্ৰি) দুয়ো সখি। এক গাঁৱতে ঘৰ আৰু সৰুৰেপৰা দুয়ো একেলগে ডাঙৰ-দীঘল হৈছে। এদিন দেৱালয়ত যাত্ৰা মহোৎসৱ; লোকে লোকাৰণ্য। সেই দেশৰ ৰাজকুঁৱৰীও মাইকী-হাতীত উঠি যাত্ৰা ভাৱনা চাবলৈ গৈছে। ৰাজকুঁৱৰীৰ ৰূপ-লাৱণ্যৰ ৰাগী এছাটি আহি তাঁতীৰ গাত লাগিল। তাঁতী মূৰ্ছা গৈ বাগৰি পৰিল, সখি ৰথকাৰে মানুহৰ সহায়েৰে তাঁতীক ঘৰলৈ নিয়াই মূৰত চেঁচা পানী দি চেতনা দিয়ালে। ৰথকাৰে হাত-মূৰ মোহাৰি দি সখিৰনো হঠাৎ কিয় বিচেতনা আহিল সুধিলে। তাঁতীয়ে আমন-জিমনকৈ ক'লে—"সখি, মোৰ ৰোগৰ কাৰণ নোসোধাই ভাল। তাৰ দৰব দেৱতাৰো অসাধ্য। এতেকে মোৰ বাবে চিতা ৰচনা কৰা। মোক জীয়াই পোৱাহে ভাল।" ৰথকাৰে উত্তৰ দিলে—"সখি, এবাৰ মোৰ মুখলৈ চাই ভাঙি-পিতি কোৱাচোন। যদি দৰব-জাতিয়ে লগ নোপোৱা বেমাৰহে হৈছে, ময়ো একে চিতাতে তোমাৰ লগত পুৰি মৰিম।"

সখিয়েকৰ আশ্বাস পাই তাঁতীয়ে ৰোগ নিদান বৰ্ণনা কৰিলে। ৰথকাৰে ধেমেলীয়া হাঁহিৰে ক'লে—"অ, সেইফেৰাহে ৰোগ, তাৰ দৰব মোৰ আঙুলিৰ পাকতেই আছে। আজি ৰাতিয়েই তোমাৰ আৰু কুঁৱৰীৰ মিলন ঘটাম। যদিও ৰাজ-অন্তঃপুৰত বতাহৰ বাহিৰে আনৰ প্ৰবেশ নিষিদ্ধ, মোৰ বুদ্ধিৰ কৌশলেৰে সি তোমালৈ মুকলি থাকিব।" এইবুলি কৈ ৰথকাৰে তৎক্ষণাৎ কুঁহিলা কাঠেৰে গৰুড়ৰ মূৰ্তি এটা সাজিলে আৰু লগতে শঙ্খ, চক্ৰ, গদা, পদ্ম কিৰীটিও তৈয়াৰ কৰিলে। তাঁতীৰ গাতো বিষ্ণু মূৰ্তিৰ চিন ৰঙেৰে আঁকি দিলে। কাঠৰ গৰুড় মূৰ্তিটো খিলা গজালেৰে কেনেকৈ উৰুৱাই নিব লাগে

তাৰো কৌশল তাঁতীক শিকালে। তাঁতীক গৰুড়ৰ ৰথত তুলি দি ৰথকাৰে বুজনি দিলে—"এই আকাশী-ৰথত উঠি কুঁৱৰীৰ অন্তেষপুৰ পোৱাগৈ। নিজক নাৰায়ণৰূপী দেৱতা বুলি পৰিচয় দি ৰাজকুঁৱৰীক বিয়া কৰাবা।"

তাঁতীয়ে গৰুড়-ৰথত খিলা-জৰি সঞ্চালন কৰিলে। ৰথ গৈ কুঁৱৰীৰ দুৱাৰ-ডলিত উপস্থিত হ'ল। কুঁৱৰীক টোপনিৰপৰা তোলাই তাঁতীয়ে সম্বোধন কৰিলে—"মই নাৰায়ণৰূপী বিষ্ণু, আৰু তুমি মানৱী ৰূপিনী ৰাধা। তোমাক বিচাৰি মই বৈকুণ্ঠত লক্ষ্মীক এৰি থৈ পৃথিৱীলৈ আহিছো। গন্ধৰ্বৰ ৰীতিৰে মালা এধাৰি দি মোলৈ বিয়া সোমোৱা। নহ'লে শাও দি সবংশে তোমাৰ পিতৃকুল নাশ কৰিম। কিন্তু সাৱধান, কোনো মানুহক নেমাতিবা, মই কাৰো লগত মৌখিক কথা নাপাতো।"

শঙ্খ, চক্ৰ আদি চিনেৰে সজ্জিত নাৰায়ণ ৰূপ দেখি কুঁৱৰীৰ ভয় উপজিল। কিন্তু, বিয়াৰ প্ৰস্তাৱত ভয়ৰ লগত লাজো আহি পৰিল। গন্ধৰ্বৰ বিধিৰে গোপন বিয়া হৈ গ'ল। দোকমোকালিতে তাঁতীয়ে কাঠৰ গৰুড় ৰথ বাই ওলাই গ'ল। এইদৰে দিনৰ পিছত দিন উকলিব ধৰিলে। ৰাধা-মাধৱৰ বিচ্ছেদ নাই। পৰীয়াসকলে কুঁৱৰীৰ আও-ভাওৰপৰা গম পালে কথা বিষম। ৰজাত গৈ সিহঁতৰ সংশয় নিবেদন কৰিলে। ৰজাই গৈ ৰাণীৰ ওচৰত পৰীয়াহঁতৰ সংশয়ৰ বাতৰি ভাঙিলে। ৰাণীয়েও গৈ জীয়েকক গালি-শপনি পাৰি আচল কথাটো বিবৰি ক'বলৈ হেঁচা দিলে। কুঁৱৰীয়ে লাজত তলমূৰকৈ কেনেকৈ নাৰায়ণৰূপী স্বামী লাভ কৰিলে তাৰ বিৱৰণ দিলে। ৰাণীয়ে গোসাঁই ঈশ্বৰক জোঁৱাই ৰূপে পোৱা বাতৰিত আপোন-পাহৰা হ'ল। উলাহতে ৰজাত গৈ নিবেদন কৰিলে। ৰজা-ৰাণী দুয়ো খিৰিকিৰ বিন্ধাৰে জোঁৱায়েকৰ স্বৰ্গাৰোহণ জুমি চাই থাকিল।

আকাশৰপৰা হৰ্ হৰ্ শবদেৰে গৰুড় ৰথ নামি আহি কন্যাৰ দুৱাৰ-ডলিত ৰ'ল। ৰজাৰ বাহু দুখনি নাচি উঠিল। স্বয়ং স্বৰ্গৰ নাৰায়ণ ঘৰ-জোঁৱাই। তেওঁ আৰু ক্ষুদ্ৰ ৰজা হৈ থাকিব কিয়?

সীমান্ত ৰজাসকলৰ ৰাজ্য দখল কৰি সমস্ত পৃথিৱী বশ কৰি একচ্ছত্ৰী সম্ৰাট হোৱাতহে তেওঁৰ গোঁসাই ঈশ্বৰৰ শহুৰেকৰ যোগ্যতা প্ৰকাশ পাব।

কামনা অনুযায়ী কাম। পিছদিনা পুৱাৰপৰা সীমান্ত ৰজাসকলৰ ৰাজ্যত আক্ৰমণ আৰম্ভ হ'ল। ৰজাসকলে এই আকস্মিক দুৰ্ঘটনাৰ কাৰণ নুবুজি একগোট খাই ৰজাৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিলে।

যুঁজৰ পিছত যুঁজ। ৰজা হাৰিবলৈ ধৰিলে। উপায়ান্তৰ নেদেখি ৰাণীত খাটনি ধৰিলে, ছোৱালীত গৈ ক'ব লাগে; নাৰায়ণ জোঁৱায়েকে যেন শত্ৰু সংহাৰ কৰে। ছোৱালীয়ে নাৰায়ণৰূপী স্বামীত সকলো কামনা নিবেদন জনালে। চক্ৰধাৰী তাঁতীয়ে কপট তাচ্ছিল্যৰ হাঁহি এটি মাৰি ডাঙ্কোপ মাৰি ক'লে—"মোৰ আগত আকৌ এই কীট-পতঙ্গবোৰ ৰজা। চাই থাকিবা, চক্ৰেৰে ইহঁতক তিলতিলকৈ কাটি নাইকিয়া কৰিম।" কিন্তু, দিনৰ পিছত দিন যাবলৈ ধৰিলে, নাৰায়ণৰূপী জোঁৱাইৰ শত্ৰুৰ প্ৰতি কোনো কাণসাৰ নাই। শহুৰেকৰ ৰাজ্য গ'ল, বাকী আছে মাথোন কাৰেং ঘৰটো। ৰাতি পুৱালে তাকো এৰিব লাগিব। ছোৱালীৰ হতুৱাই ৰাজ্যৰ শেহ বাতৰি জোঁৱায়েকত নিবেদন কৰিলে। বিষ্ণুৰূপী স্বামীক জনালে—"আজিয়েই আমাৰ শেহ মিলন, কালি পুৱা সপৰিয়ালে ৰাজ্য এৰিব।" তাঁতীক মহা দুশ্চিন্তাই আৱৰি ধৰিলে। এফালে দুৰন্ত বিচ্ছেদ, আনফালে নিজৰ মৰণ।

তাঁতীয়ে মৰণতে শৰণ ল'লে। কিন্তু, মনত এটি বুদ্ধি সাজিলে। মিছা হ'লেও ৰাতিপুৱা সি মাহাত্মৰ আটোপ এপালি দেখুৱাব। গৰুড়ত উঠি শঙ্খ, চক্ৰ আদিৰে বিভূষিত হৈ সি আকাশত বগাই ফুৰিব, কিজানি শত্ৰু ৰজাবোৰে ৰথৰ ঘৰ্ঘৰণি শব্দত উধাতু খাই পলায়েই। কুঁৱৰীক উদ্দেশ্য কৰি ক'লে—"তোমাৰ পিতৃদেৱতাক গৈ কোৱা, মই শত্ৰু সংহৰণ কৰিম। সিহঁতে উধাতু খাই কাঠৰ পুতলাৰ দৰে বীৰ্যহীন হ'ব। ৰজাৰ সৈন্যই গৈ সিহঁতক কাটিব। মই কিন্তু নিজে

অস্ত্ৰ নধৰো। মই মাৰিলে সিহঁতৰ বৈকুণ্ঠত বাস হ'ব। শত্ৰুৰ স্বৰ্গপ্ৰাপ্তি নঘটে, তালৈ ৰজাই অহোপুৰুষাৰ্থ কৰে যেন।” কুঁৱৰীয়ে জোঁৱায়েকৰ সঙ্কল্প ৰজাত নিবেদন কৰিলে। শেহ বাৰলৈ সাজু হৈ ৰজাই যুঁজলৈ ওলাল।

ইফালে বৈকুণ্ঠত লক্ষ্মীপতি আচল নাৰায়ণ মহা বিমোৰত পৰিল। গৰুড়ক সুঁৱৰিলে। গৰুড় উপস্থিত হ'লহি। নাৰায়ণে ক'লে—“গৰুড়, তাঁতীৰ কাৰচাজি তুমি লক্ষ্য কৰিব পোৱা। মোৰ ৰূপ লৈ তোমাৰ প্ৰতিমাত উঠি সি মৰিবলৈ ওলাইছে। যুঁজলৈ ওলালেই ক্ষত্ৰিয় সৈন্যই তাক কাঁড়েৰে বিন্ধি মাৰিব। তেতিয়া লোকসমাজত দুৰ্নাম প্ৰচাৰ হ'ব ক্ষত্ৰিয়ৰ হাতত বাসুদেৱ আৰু গৰুড়ৰ পতন হোৱা বুলি। আগলৈ তোমাক আৰু মোক কোনেও পূজা-পাতল নিদিয়া হ'ব। সেই কাৰণে তুমি কাঠৰ গৰুড়ত ভৰ খাই নিজৰ শক্তি সঞ্চাৰ কৰা আৰু ময়ো তাঁতীৰ গাত লম্ভোগৈ। শত্ৰু বধ হ'লে আমাৰ দুয়োৰে মাহাত্ম্যহে বাঢ়িব।”

সঙ্কল্প অনুসাৰে কাম। গৰুড়ে কাঠৰ গৰুড়ত ভৰ ল'লে আৰু নাৰায়ণে তাঁতীৰ গাত শক্তি সঞ্চালন কৰিলে। শত্ৰুসৈন্য নিস্তেজ হ'ল। অনায়াসে শত্ৰুবেক ৰজাৰ বিজয় মিলিল। লোকসমাজত আৰাও হ'ল নাৰায়ণৰূপী জোঁৱায়েকৰ যহত ৰজাৰ শত্ৰুৰ নিপাত ঘটিল।

আকস্মিক ঘটনাত তাঁতীৰ মনত উলাহ। গৰুড় ৰথেৰে আকাশৰপৰা নামি আহিল। ৰজা-মন্ত্ৰী সকলোৱে সম্বৰ্দ্ধনা কৰিবলৈ গৈ দেখে যে তেওঁলোকৰে পৰিচিত সেই নগৰৰ তাঁতীৰ পোৱালি। সকলো নিমাত। ইটোৱে সিটোৰ মুখলৈ চায়। নিস্তব্ধতা ভঙ্গ কৰি তাঁতীয়ে গুৰিৰপৰা সকলো বৃত্তান্ত ভাঙি ক'লে। তাঁতীৰ মৰসাহত মুগ্ধ হৈ আৰু বিশেষকৈ শত্ৰুৰ হাতৰপৰা ৰাজ্য ৰক্ষা পৰিলত আনন্দিত হৈ সকলো প্ৰজাৰ সন্মুখতে তাঁতীলৈ কুঁৱৰীক বিয়া দিলে আৰু ৰাজ্যৰো এডোখৰ যৌতুকলৈ বুলি দান কৰিলে।

কালৰ পৰিৱৰ্তন ঘটিছে। গৰুড়ধ্বজৰ লগত সময়ে সময়ে ত্ৰিবৰ্ণ

পতাকাৰে সাধনাক্ষেত্ৰত সংযোগ ঘটিছে । ত্ৰিবৰ্ণ পতাকাত চৰকাৰ ছাব মাৰি দুই-এজনে লক্ষ্মীদেৱীৰ অনুগ্ৰহ লাভ কৰিব পাৰিছে। বৰ্তমান যুগত তাঁতীৰ সমান ধৰ্মী পুৰুষ বহুত, কেৱল কৰ্মক্ষেত্ৰহে বেলেগ ।

ঐশ্বৰিক মাহাত্ম্যৰো লোপ ঘটা নাই । কিছুদিন আগত তাঁৰ বজাৰৰ প্ৰকাশ্য প্ৰকোপৰ সময়ত উজনি আৰু নামনি অসমত দুজন অৱতাৰী পুৰুষে মাহাত্ম্য প্ৰচাৰ কৰিছিল । দুয়ো দুৰাৰোগ্য ৰোগৰ দৰৱ বুলি খালৰ পানী বটলত ভৰাই মন্ত্ৰপূত কৰি বেচিছিল। সম্প্ৰতি মাহাত্ম্য সম্বৰণ কৰিছে বুলি শুনা গৈছে । কিন্তু, আধুনিক কালৰ ডাঙৰ অৱতাৰ এটিৰ আবিৰ্ভাৱ হৈছিল চল্লিশ বছৰমান আগত কামৰূপৰ এখনি গাঁৱত ।

অৱতাৰীজন গাঁৱলীয়া খেতিয়ক । ভাং খোৱাত অতিপাত অনুৰক্ত বুলি তেওঁক সিন্ধু ভাঙুৰী বোলা হৈছিল । অসমীয়া পদপুথি পঢ়িব পাৰিছিল । গীতাৰ ৺গোবিন্দ মিশ্ৰৰ ভাঙনি তেওঁৰ কণ্ঠাগত। গীতাকেই আলম কৰি সমাজৰ খলা-বমা সমান কৰিবৰ উদ্দেশ্যে নতুন ধৰ্ম প্ৰচাৰ কৰিলে । ভাঙৰ খোলাত নিতৌ নতুন নতুন শিষ্য আহি যোগ দিলেহি। সিন্ধু ভাঙুৰীয়ে দিগবিজয়লৈ বুলি বাহিৰ হৈ বৰপেটা ধামো মাৰিলে। গীতাৰ পদৰ আগত পণ্ডিতসকল নিৰুত্তৰ । ভাঙুৰীৰ শিষ্যৰ সংখ্যা বাঢ়িল । আশ্ৰম স্থাপিত হ'ল । কমিউনিষ্ট পদ্ধতিৰে ঘৰ-মাটি বেচি শিষ্যসকল আহি সপৰিয়ালে আশ্ৰমত বাহ ল'লে : টকা-শিকা উমৈহতীয়া ভঁৰালত জমা হ'ল । সিন্ধু ভাঙুৰীৰ আখ্যা হ'ল প্ৰভু, ঘৈণীয়েক হ'ল আই গোসাঁনী । ভাঙুৰীৰ মাহাত্ম্য চাৰিওফালে বিয়পি পৰিল।

এদিন আশ্ৰমত থকা শিষ্য এজনৰ সন্তান এটি মৰিল। শোকত অধীৰ শিষ্যই প্ৰভুত নিবেদন জনালে । প্ৰভুৱে কীৰ্তন পুথিৰ "বিপ্ৰপুত্ৰ আনয়ন" পৰ্ব স্মৰণ কৰি ইন্দ্ৰৰ লগত যুঁজ কৰি শিষ্য-পুত্ৰ আনিবলৈ কাচি পাৰি ওলাল ।

চ'তমহীয়া খৰাং, তাৰ ওপৰত ভাঙৰ ৰাগী ! প্ৰভুৱে গৈ সৰিয়হৰ মৰণা মৰা চাকলিত সৰিয়হৰ খেৰৰ পুঁজিৰ আঁৰত শুই আছে ।

বতাহৰ ছেগ চাই গিৰিহঁতে খেৰ-পুঁজিত জুই লগাই দিলে। প্ৰভুৰ কাপোৰত জুই লাগিল। সাৰ পাই পোৰণিত তৎ নেপাই ওচৰৰ পাগলাদিয়া নদীত জঁাপ দি পৰিল। পোৰা ঘাত চেঁচা পানী লাগি বখলা-বখলি ছাল উঠি গ'ল।

কেঁকাই গেঁথাই প্ৰভু আহি আশ্ৰমত উপস্থিত হ'ল। ইন্দ্ৰদেৱতা হাৰিছিলেই; শেষত উপায়ান্তৰ নেদেখি ধৰ্ম যুদ্ধৰ পথ এৰি বজ্ৰ মাৰি তেওঁৰ গাটো পুৰি পেলালে। ভক্তসকলে হয়ভৰ দিলে। কিন্তু, কিছুদিনৰ মূৰত প্ৰভুৰ পোৰা ঘাত পোকে দেখা দিলে। প্ৰভুই ঐহিক লীলা সম্বৰণ কৰিলে।

# মহিলাৰ মহা-সভা

[ গ্ৰীক নাটৰ সাধু ; ৩৯১ খৃঃ পূঃ ]

পুৰণি গ্ৰীচদেশত এথেন্স নামে এখন ৰাজ্য আছিল। তাৰ শাসন-পদ্ধতি বৰ্ত্তমান আমাৰ আইন সভাৰ দৰে পৰিষদৰ দ্বাৰা চলোৱা হৈছিল। আইন সভাই নানা তৰহৰ শাসন-ৰীতি পৰীক্ষা কৰি চালে; কিন্তু কোনোটোৱেই ফলৱতী নহয়, তেতিয়া মহিলাসকলে থিৰ কৰিলে যে শাসনভাৰ তেওঁলোকে হাতত লোৱা উচিত। এই আন্দোলনৰ নায়িকা হ'ল প্ৰাকৃচাগোৰা নামৰ মহিলা এগৰাকী।

নিৰ্দ্দিষ্ট দিনা দোকমোকালিৰ আগতেই প্ৰাকৃচাগোৰাই চাকি এটি হাতত লৈ নগৰৰ উপকণ্ঠত উপস্থিত হ'ল। আটাইবোৰ বিপ্লৱী সঙ্গিনী তাত গোট খোৱাৰ কথা আছিল। প্ৰাকৃচাগোৰাই চাৰিওফালে এন্ধাৰত চাকিৰ পোহৰত কাকো নেদেখি আচৰিত হ'ল।

"মোৰ বান্ধৈসকলৰ কোনো আহি নাপালে দেখোন! ইফালে ৰাতিপুৱায় হে লাগে! আমি আগেয়ে গৈ সভা-মণ্ডপ অধিকাৰ কৰি নেথাকিলে ৰাতিপুৱাতে সভ্যসকল আহি ওলাব। কিবা আকৌ অঘটন ঘটিলনেকি? নে সঙ্গিনীসকলে ডাড়ি-গোঁফ যোগাৰ কৰিব পৰা নাই, নে গিৰিয়েকসকলৰ পোছাক চুৰ কৰিব পৰা নাই। প্ৰাকৃচাগোৰাই নিজেই কোৱা-মেলা কৰিলে।

এনেতে কেইগৰাকীমান মহিলা আহি উপস্থিত হ'লহি। এজনীয়ে ক'লে—গিৰিয়েকে এপোহামান ভজা মিছা মাছ বাকলিৰে সৈতে খোৱাত পেট চলিছিল। শেষ নিশাহে টোপনিত পৰিছে। আন এজনীয়ে ক'লে—ওৰে দিনটো ৰ'দত থিয় হৈ কাম কৰিছে, ৰ'দৰ তাপ লাগি গাটোত কিজানিবা অলপ পুৰুষালি ৰং ধৰেই! আৰু এজনীয়ে প্ৰকাণ্ড লাঠি এডাল জোঁকাৰি, সেইডাল চাঁচি-চুঁচি লওঁতে পলম হ'ল বুলি ক'লে; ইত্যাদি।

আইন সভাত কেনেকৈ বক্তৃতা কৰি প্ৰস্তাৱ দাঙি ধৰিব লাগে তাৰ আখৰা চলিল। প্ৰথমতে আলোচনাৰ বিষয় হ'ল, সভ্যসকলক কি বুলি সম্বোধন কৰা হ'ব—"মহিলা নে ভদ্ৰ মহোদয়া ?" এগৰাকীয়ে মাত লগালে—"মহিলা" ! প্ৰাকৃচাগোৰাই মুখ ওন্দোলাই ভেকাহি মাৰি ক'লে—"এইবোৰেই আকৌ ৰাজ্য খাবলৈ আগবাঢ়ে !" কথাষাৰ কৈয়ে সমূহ মহিলাৰ মতামত বা ভোটলৈ অপেক্ষা নকৰি প্ৰাকৃচাগোৰাই মহিলা সভাক সম্বোধন কৰি বক্তব্য আৰম্ভ কৰিলে—

"ভদ্ৰ মহোদয়সকল, এই ৰাজ্যখন আপোনালোকৰ যেনে প্ৰিয়, মোৰো তেনে প্ৰিয়। দেশৰ গতিবিধি দেখি মোৰ বুকু ফাটি গৈছে। কেনেকৈ এনে হ'বলৈ পালে ? আচলতে আপোনালোকৰ লীডাৰ নাই ! পুৰুষ লীডাৰে এদিন সজ বুদ্ধিৰে চলিবৰ ভাও দেখুৱাই যিখিনি নিজৰ স্বাৰ্থৰ লোকচান কৰে, দহ দিনৰ অপকৰ্মৰে পিছত তাৰ শোধ তুলি লয়। ভদ্ৰ মহোদয়সকল, দোষ আপোনালোকৰেই ; নায়কৰ অভাৱত আপোনালোকৰ উমৈহতীয়া ধনে মাথোন কেইগৰাকীমানৰ মোনাত থিতাপি লৈছে। কোনেও ৰাজ্যৰ মঙ্গললৈ চিন্তা কৰা নাই, চিন্তা কৰিছে মাথোন নিজৰ মোনাৰ গধুৰত্বলৈহে। দেশ ৰসাতললৈ যাব লাগিছে, ইয়াৰ প্ৰতিকাৰ নাইনে ? আছে, নিশ্চয় আছে। দেশৰ ভাৰ মহিলাসকলৰ হাতত সঁপি দিয়ক। তেওঁলোকে ঘৰ চলাব পাৰে, ৰাজ্য চলাব নোৱাৰিব কিয় ? তেওঁলোকেই আমাৰ যুঁজাৰু চিপাহীবোৰৰ মাক নহয়নে ? অবাবতে নিজ পুত্ৰ চিপাহীবোৰক যুঁজত মৰিবলৈ বা ভোকত খীণাবলৈ তেওঁলোকে এৰি নিদিয়ে। তেওঁলোক সুদক্ষ সাঁচনিয়াৰ ; নিজেই ছল-ছন্দত পাকৈত ; গতিকে কোনেও তেওঁলোকক ঠগিব নোৱাৰে। আৰু সৰহ কোৱাৰ সকাম নাই। মোৰ উপদেশ মানি লওক, দেশলৈ সুখ-শান্তি উভতি আহিব।"

বক্তব্যৰ ওৰ পৰিল। এজনীয়ে টপৰাই মাত লগালে, "হওঁতে উপদেশফেৰি ভালেই দিছা ; পিছে তুমিনো এনেকৈ ক'বলৈ শিকিলা ক'ত ?"

প্ৰাকৃচাগোৰাই উত্তৰ দিলে—"নেজানানে পুৰুষৰ বল বাহুত, তিৰোতাৰ বল জিভাত। তাৰ উপৰিও বিদেশীয়ে এবাৰ দেশ আক্ৰমণ কৰাত ঘৰ এৰি থৈ আইন পৰিষদৰ ওচৰত বাহ লৈ আছিলো। ৰাজনৈতিকসকলৰ ভাৰৰীয়াৰ বক্তৃতাৰ ভঙ্গি দেখি জিভাখন নিভাঁজ কৰি লৈছো।"

সভ্যা—"তেন্তে তুমিয়েই আমাৰ পহিলা প্ৰধানমন্ত্ৰী হোৱা। কিন্তু, কেনেকৈ তোমাক আইনসঙ্গতভাৱে বাছিব লাগে মোকোলাই কোৱা।"

প্ৰাকৃচাগোৰা—"সেইটো বৰ সহজ কথা নহয়; কিন্তু অসাধ্যও নহয়। কঁকালত টানকৈ চুৰিয়াখন মেৰাই লোৱাহঁক; ভৰিত বুট-জোতাযোৰ আৰু মুখত কৃত্ৰিম ডাঢ়িযোৰ এঠাৰে লগাই লোৱা। গাত গিৰিয়েৰাসকলৰ ওভাৰ কোটবোৰ পিন্ধি, লাখুটি লৈ সমদলে আইন মণ্ডপলৈ যাত্ৰা কৰা। সাৱধান, সূৰুয ওলোৱাৰ পূৰ্বতেই যেন সভা-মণ্ডপ দখল কৰাহি।"

আনফালে তিৰোতাসকলৰ নিজ নিজ ঘৰত অনুপস্থিতিৰ কাৰণে বেমেজালি ঘটিবলৈ ধৰিলে। প্ৰাকৃচাগোৰাৰ গিৰিয়েক ব্লেপিৰাচে সাৰ পাই, বিমোৰত পৰি গোৰগোৰাবলৈ ধৰিলে, "ঘৈণীজনী ক'ত? চুৰিয়াখনো দেখোন নাই!"

নিৰুপায় হৈ ঘৈণীয়েকৰ মেখেলা-চাদৰকেই মেৰাই ল'লে; ফুলাম নাগেৰী চেণ্ডলযোৰা ভৰিত পিন্ধিলে। "মোক নো কিহে পাইছিল এই বয়সত আৰু এজনী চপাই ল'বলৈ! যি হওক, পৰিষদত ঠিক সময়ত হাজিৰা দিবলৈ পালে, দিনটোৰ জোখাৰে তেও ভাটাখিনি পাওঁ।"

যাবলৈ বুলি ওলাইছে। আন এজন আইন সভ্যই মাত লগালে—"সেইটো ব্লেপিৰাচ নেকি অ'। গাত দেখোন মেখেলা-চাদৰ মেৰাই লৈছ!"

ব্লেপি—এইখন ঘৈণীৰ।

সভ্য—তোৰ চুৰিয়া-চোলা একা ?

ব্লেপি—ক'বই নোৱাৰো ক'লৈ উৰি গ'ল! বিচাৰি-খোচাৰি নেপালো।

সভ্য—ঘৈণীয়েৰক মুমুখিলি কিয় ?

ব্লেপি—ঘৈণীও ঘৰত নাই। ক'ৰবালৈ পুলুকা মাৰিছে।

সভ্য—মোৰো ঘৰত একেখন ভাওনা। ঘৈণীয়ে জোতা, চুৰিয়া সকলোকে আঁতৰ কৰিছে। কোনোবা বন্ধুৰ ঘৰত ভোজ খাবলৈ যোৱা যেন মনে গোন্ধাইছে।

ব্লেপি—হ'বও পাৰে। ইমান দিনে কোনো ভাল-মন্দ কাণত পৰা নাই দেখোন। এনেতে আইন মণ্ডপৰ ফালৰপৰা ক্রেমিচ নামে সভ্য এজন বেগেৰে আহিছে। ব্লেপিৰাচে সুধিলে—"আইন সভা ইমান সোনকালে ভাগিলনে ? তোৰ দৈনিক ভাটা পালি জানো ?"

ক্রেমিচ—মোৰ যোৱাত পলম হ'ল। সভাঘৰ লোকাৰণ্য! কেতবোৰ শেঁতামুৱা ঘৰৰ ভিতৰত কাম কৰা বনুৱাই হ'বলা সভাঘৰ দখল কৰি আছে। ভাটা নেপালো। আমাৰ অইন কোনো সভ্যয়ে পোৱা নাই।

ব্লেপি—ময়ো নেপাম তেন্তে! শেঁতামুৱাবোৰে নো কি আলোচনা কৰিছে ?

ক্রেমিচ—দেশৰ নিৰপত্তা সম্বন্ধে। এজন মাইকীমুৱা ডেকাই প্ৰস্তাৱ কৰিলে, শাসনভাৰ হেনো মহিলাসকলক চমজাই দিব লাগে। বনুৱাসকলে চিঞৰিলে, "শুনা শুনা"—আনবোৰে প্ৰতিবাদ কৰিলে, "হ'বই নোৱাৰে, হ'বই নোৱাৰে।" এওঁলোক কিন্তু ভোটত হাৰিল। ডেকাজনে তিৰোতাৰ গুণাৱলী কীৰ্তন কৰিলে। তেওঁলোক হেনো সাধাৰণ জ্ঞানৰ ভঁৰাল, পইছা সাঁচিব জানে আৰু গুপুত কথা প্ৰাণ গ'লেও নকয়।

ব্লেপি—শেহত কিটো ৰ'লগৈ ?

ক্রেমিচ—শাসনভাৰ তিৰোতাৰ হাতত দিব লাগে বুলি প্ৰস্তাৱ গৃহীত হ'ল।

ব্লেপি—আইনে মানি ল'লেনে?

ক্রেমিচ—আইনত পৰিণত হ'ল।

ব্লেপি—তেনেহ'লে আজিৰপৰা ঘৈণীয়েহে মেল-মোকৰ্দমা বিচাৰ-বিবেচনা কৰিব, আমি নহয়!

ক্রেমিচ—ঘৈণীয়েৰাৰ হৈ তুমি ৰান্ধনি-ঘৰ চম্ভালিব লাগিব।

ব্লেপি—ভয়ানক ঘটনা!

এনেতে বিপ্লৱী মহিলাসকলে গীতৰ ছেৱে ছেৱে সমদলে ঘৰলৈ বুলি খোজ কাঢ়ি আহিছে।

ব্লেপিৰাচে ঘৈণীয়েকক সুধিলে—"ৰাতিনো ক'লৈ যোৱা হৈছিল?"

প্ৰাক্‌চা—এগৰাকী বন্ধুৰ নৰিয়া। পৰ দিবলৈ গৈছিলো।

ব্লেপি—যোৱাৰ কথা মোক দেখোন নক'লা।

প্ৰাক্‌চা—তেনেহ'লে যাব নেলাগিছিলনেকি?

ব্লেপি—যাব লাগে গৈছা। মোৰ চোলা-চুৰিয়া নিলা কিয়?

প্ৰাক্‌চা—ইমান চেঁচা। তাতে গাৰো বৰ ভাল নহয়। তোমাক কঁথা-কম্বল দি গৈছিলো নহয়।

ব্লেপি—মোৰ বুটযোৰা আৰু লাখুটিডাল আকৌ নিছিলা কিয়?

প্ৰাক্‌চা—বাহিৰত ভয় লাগে দেখি! ঠিক তোমাৰ দৰে পুৰুষ সাজি ওলাইছিলো।

ব্লেপি—তোমাৰ কাৰণেই এদিনৰ ভাটা মৰা পৰিল। শুনিছানে সভ্যসকলে হেনো তিৰোতাক শাসনভাৰ গতাই দিলে?

প্ৰাক্‌চা—আই ৰতি দেৱী, তোমাৰ স্বামী কামদেৱৰ দৰে দেশখনকো পুনৰ উদ্ধাৰ কৰিলা।

ব্লেপি—কেনেকৈ?

প্ৰাক্‌চা—অসজ পুৰুষে আৰু দেশখন লুটি খাব নোৱাৰে। আঁৰ-বজাৰৰ জইন মৰিল।

ব্লেপি—হঁয়ে কৱ কি? আঁৰ-বজাৰৰ লগে লগে ভাত-মুঠিৰো জইন মৰিল!

প্ৰাকৃচা—শুনা মোৰ বীৰ-পুৰুষ। ঘৈণীয়েৰাক ক'বলৈ দিয়া। আগলৈ আৰু চোৰ আঁৰ, মিছা বিবৃতি, দাৰিদ্ৰ্য, পৰনিন্দা আৰু আত্মশ্লাঘাৰ অৱকাশ নেথাকিব।

এনেতে আন আন মহিলাসকলে আগবাঢ়ি আহি নায়িকা প্ৰাকৃচাগোৰাক বেঢ়ি ধৰিলে। প্ৰাকৃচাগোৰাই অনুপ্ৰেৰণা পাই কমিউনিষ্ট নেতাৰ সুৰেৰে ঘোষণা কৰিলে—

"মোৰ কৰ্মতালিকাৰ পহিলা দফাই হৈছে সমান অধিকাৰ। কোনোবা ধনী, কোনোবা দুখীয়া, কাৰোবাৰ বিস্তৰ জমিদাৰী, কাৰোবাৰ নিজৰ মৰাশ পুৰিবৰ ঠাই নাই, কাৰোবাৰ অগণন বন্দী-বেটী, কাৰোবাৰ এন্ধাৰত খোজ কঢ়াত সঙ্গী নাই—এনেবোৰ অসাম্য মোৰ শাসনত থাকিবলৈ নিদিওঁ। ভূমি, ধন আৰু আন আন সা-সম্পত্তিত সকলো নাগৰিকৰেই সমান স্বত্ব থাকিব। আমি তিৰোতাই হিচাপ-নিকাচ কৰি ৰাজ্য চলাব জানো। যাৰ যিহৰ অভাৱ, সেই সেই অভাৱ পূৰণ কৰা হ'ব!"

ব্লেপি—বাৰু, কাৰোবাৰ মাটি নাই, কিন্তু পুতি থোৱা সোণ আছে; তাৰ কেনেকৈ সন্ধান পাবা?

প্ৰাকৃচা—দেশত যেতিয়া দাৰিদ্ৰ্য নেথাকে, আৰু ইচ্ছা কৰিলেই অভাৱ মোচন হয়, তেতিয়া গোপনে মানুহে সোণ সাঁচিব কিয়?

ব্লেপি—কোনে হাল বাব?

প্ৰাকৃচা—নিকিনা গোলামবোৰে। তোমালোকে কেৱল ধুনীয়া সাজ-পাৰ পিন্ধি ঘড়ীৰ কাঁটা চাই খোৱা ঘৰত সোমাবহে লাগিব।

ব্লেপি—কোনে কাপোৰ যোগাব?

প্ৰাকৃচা—বৰ্তমানৰ জোখাৰে সাজ-পাৰ আছে। পিছলৈ আমি তিৰোতাসকলেই কাপোৰ বই উলিয়াম।

ব্লেপি—বাৰু, কাৰোবাৰ বিৰুদ্ধে ঋণৰ বাবে যদি ডিক্ৰী জাৰি হয়, সি ক'ৰপৰা ঋণ পৰিশোধ কৰিব? উমৈহতীয়া ভঁৰালৰপৰা টকা পাবনে?

প্ৰাক্‌চা—ধাৰৰ ডিক্ৰী? ধাৰ দিবলৈ মহাজনে ক'ৰপৰা টকা পালে? সকলো উমৈহতীয়া।

ব্লেপি—বাৰু, মৰামৰিৰ বাবে যদি কাৰোবাৰ জৰিমনা হয়, টকা ক'ত পাব?

প্ৰাক্‌চা—জগৰীয়াক দুসাজ খাবলৈ নিদিবা, তেতিয়া হ'লে আৰু জগৰত নপৰে।

ব্লেপি—ডকাইতি নেথাকিবনে?

প্ৰাক্‌চা—তোমাৰ চোলাটো যদি কোনোবাই বলাৎকাৰ কৰি নিয়ে, তেন্তে উমৈহতীয়া ভঁৰালৰপৰা আন এটি পাবা।

ব্লেপি—খোৱা-বোৱা ঠাই ক'ত হ'ব?

প্ৰাক্‌চা—কাছাৰী ঘৰত। বিচাৰ-বিবেচনাৰ আৰু প্ৰয়োজন নহ'ব।

ব্লেপি—আইন সভাৰ সভাপতিৰ ওখ মঞ্চখনৰ কি হ'ব?

প্ৰাক্‌চা—তাত মদৰ হাড়ী আৰু পানীৰ কলহ থাকিব। গায়ন ল'ৰাবোৰে তাত থিয় হৈ বীৰ পুৰুষসকলৰ কীৰ্তি ঘোষণা কৰিব। তাকে শুনি কাপুৰুষবোৰে লাজত মুখ লুকুৱাই পলাব।

ব্লেপি—কি সৌভাগ্য? সকলোৱে মোৰ ফালে ঈৰ্ষাৰ চকুৰে চাই শলাগিব—"দেখিছা নে ঔ! সেইটো মহিলা সমিতিৰ প্ৰধান নায়িকাৰ গিৰিয়েক।"

# মাছ অৱতাৰ

প্ৰায় ছয় হেজাৰ বছৰ আগেয়ে য়ুফ্ৰেটীছ নদীৰ পাৰত বেবিলন নামেৰে নগৰ এখন আছিল। সেই নগৰখন তেতিয়াৰ দিনত সভ্যতাৰ ওখ খাপত উঠিছিল। পণ্ডিতসকলে কয়, তাতেই হেনো পোন-পহিলে সভ্যতাৰ উদয় হয়।

সেই দেশৰ পুৰাণ শাস্ত্ৰত আছে, তাত হেনো পোন-প্ৰথমে ইয়া-হান (ইয়া=মাছ) বুলি মাছ-দেৱতা এটিয়ে মানুহৰ মাজত জ্ঞান, বিজ্ঞান আদিৰ লাগতিয়াল তত্ত্ব-কথা প্ৰচাৰ কৰে। বেবিলনৰ পুৰাণত আছে যে এদিনাখন পুৱা পাৰস্য সাগৰৰপৰা এটি অদ্ভুত জন্তু পাৰলৈ উঠি আহে। তাৰ গাটো মাছৰ দৰে। কিন্তু, মাছৰ মূৰৰ লগত মানুহৰ দৰে মূৰ এটিও আছে। হাত-ভৰি মানুহৰ দৰে, কিন্তু পাছফালে ফিচা এখনো আছে। সি মানুহৰ দৰে কথা ক'ব পাৰে।

সি নিতৌ পুৱাই সাগৰৰপৰা উঠি আহি, গোটেই দিনটো লঘোনে থাকি মানুহৰ লগত মিলি সিহঁতক লাগতিয়াল কথাবোৰ শিকায়—কেনেকৈ ঘৰ বান্ধিব লাগে, কেনেকৈ ধান ব'ব লাগে, কেনেকৈ মাটি জুখিব লাগে ইত্যাদি। লগে লগে লিখা-পঢ়া, জ্ঞান-বিজ্ঞান, শিল্প আদিৰ কথাও কয়। বেলি মাৰ যোৱাৰ লগে লগে মাছ দেৱতাই সাগৰলৈ উভতি গৈ, তাত বুৰ মাৰি থাকি ওৰে ৰাতিটো কটায়। আৰু পিছদিনাখন পুৱাই ওলাই আহে। এইদৰে মাছ-দেৱতাৰ কৃপাত বেবিলন নগৰত সভ্যতাৰ প্ৰচাৰ হয়।

সেই সময়ত বেবিলনৰ ওচৰচুবুৰীয়া দেশবোৰত মাছ-দেৱতাৰ

পূজা চলিছিল। এছিৰিয়া ৰাজ্যতো মাছ-দেৱতাক বৰকৈ মানিছিল। এছিৰিয়াৰ নাৱৰীয়াহঁতে মাছ-দেৱতা নাম লৈহে নাও মেলি দিছিল আৰু মাছ-দেৱতাৰ মূৰ্তি একোখন লৈ ফুৰিছিল। সেই কালত লোহিত সাগৰৰ পাৰত ফিলিষ্টিয়া বুলি দেশ এখন আছিল। তাৰ মানুহবোৰক ফিলিষ্টাইন বোলা হৈছিল বাবে আজিকালি দেশখনৰ নাম হৈছে পেলেষ্টাইন। পুৰণি ফিলিষ্টাইনবিলাকেও ডেগন নামেৰে মাছ-দেৱতাৰ পূজা কৰিছিল। (ডেগন=মাছ)

হিন্দুৰ পুৰাণ শাস্ত্ৰতো ঈশ্বৰৰ মৎস্য-অৱতাৰৰ কথা আছে। মহাপুৰুষে "কীৰ্তন"ত লিখিছে—

মৎস্যৰূপে অৱতাৰ ভৈলা প্ৰথমত।
উদ্ধাৰিলা চাৰি বেদ প্ৰলয় জলত।

তোমালোকে পখিলাৰ মুখৰপৰা প্ৰজাপতি ব্ৰহ্মাৰ কথা শুনিছাহঁক। ব্ৰহ্মা যিমানখিনি পৰ সাৰে থাকে, তিমানখিনি পৰ হে বিশ্ব-সংসাৰখন চলি থাকে। ব্ৰহ্মাই টোপনিত পৰিলে সংসাৰত মহাপ্ৰলয় হয়। আকৌ সাৰ পালে সংসাৰ ৰচনা কৰে। আমাৰ পৃথিৱীৰ ২১৬ কোটি বছৰতহে ব্ৰহ্মাৰ এদিন পূৰ হয়। সেই দেখি, সোনকালে প্ৰলয় হ'ব বুলি ভয় নাখাবা।

এদিনাখন গধূলি ব্ৰহ্মাই টোপনি যাওঁ বুলি যোগ্জা কৰিছে। চকুযুৰি মুদ খাইছে মাথোন, এনেতে হয়গ্ৰীৱ নামে (হয়=ঘোঁৰা; গ্ৰীৱ=গল) ঘোঁৰা গলীয়া অসুৰ এটিয়ে হিন্দুৰ পবিত্ৰ শাস্ত্ৰ বেদ চাৰিখন লৈ পলাল। অসুৰৰ অতপালি দেখি বিষ্ণু দেৱতাই ততালিকে ছেলেকনি মাছ এটি হৈ সাগৰত পৰিল।

সাগৰৰ পাৰত সত্যব্ৰত নামে ৰজা এজনে ধ্যান কৰি আছিল। ধ্যানৰ অন্তত তৰ্পণ কৰিবলৈ তেওঁ পানী এচলু হাতত ল'লে। তেওঁ দেখিলে, পানীৰ লগত অকণমানি মাছ এটিও আহিছে। মাছ দেখি ৰজাই পানী চলু আকৌ সাগৰত পেলাই দিলে। এনেতে মাছটোৱে মাত লগাই ক'লে, "মোকনো কেলৈ পানীত এৰি দিলে,

ডাঙৰ মাছে মোক ধৰি খাব নহয়? মোক নি কলহৰ পানীত জীয়াই ৰাখক।" ৰজাই তাকে কৰিলে। ৰাতিৰ ভিতৰতে মাছটো বাঢ়ি শকত হৈ কলহত নধৰা হৈ আছে। পুৱা মাছটোৱে ৰজাক ক'লে, ''মোক এটি খালত থৈ দিয়ক।" খালত পেলোৱা মাত্ৰকে মাছটো তিনিহাত বাঢ়িল আৰু তাতো তাক নধৰা হ'ল। খালৰপৰা তুলি নি তাক পুখুৰীত থোৱা হ'ল। তাতো নধৰে। তাৰপৰা ডাঙৰ বিললৈ নিয়া হ'ল। বিলতো নধৰা হ'ল। বিবুধি হৈ ৰজাই নি শেষত মাছটো সাগৰত মেলি দিলে। আকৌ মাছটোৱে মাত দি ক'লে, "মোকনো কেলৈ এৰি দিব লাগিছে, সাগৰৰ জন্তুৱে মোক খাই পেলাব নহয়?"

ৰজাৰ মনত আশঙ্কা হ'ল। এই অতিকায় মাছটোকনো কিহে খাব? ই মাছ নহয়, কোনোবা দেৱতাই ভেশছনকৈ তেওঁক ছলনা কৰিছে। ৰজাই তুতি-মিনতি কৰিবলৈ ধৰিলে। তুতিত প্ৰসন্ন হৈ মাছে ক'বলৈ ধৰিলে, "আজিৰপৰা সাত দিনৰ দিনাখন প্ৰলয় বানে পাহাৰ-পৰ্বত একো নেদেখাকৈ পৃথিৱীখন ছাটি পেলাব। ইয়াৰ ভিতৰতে তুমি ডাঙৰ নাও এখন সজাই থোৱা। বান-পানী দেখা দিওঁতেই সকলো গছ-গছনি আদিৰ গুটি আৰু জীৱ-জন্তু আদি নাৱত ভৰাই তুমিও উঠিবা। মোৰ মূৰৰ পৰা দীঘল শিং এটি ফুটি ওলাব। নাগ-জৰিৰে নাওখন কট্‌কটীয়াকৈ মোৰ শিঙত বান্ধিবা। ব্ৰহ্মাই সাৰ নাপায় মানে নাওখন শিঙত বন্ধাই লৈ মই পানীত সাঁতুৰি ফুৰিম।

সাত দিনৰ দিনা সাগৰত ঢৌ উঠি পাৰ ভাঙি নগৰৰফালে বাগৰিব ধৰিলে। আকাশত মেঘৰ গাজনিত প্ৰলয়ৰ ঢাক-ঢোল বাজি উঠিল। পানীৰ খলকনি, মেঘৰ গুৰগুৰণিত তমোময় লাগিল। সত্যব্ৰত ৰজাই মাছ-দেৱতাৰ আজ্ঞা পালি নাৱত উঠিল। বতাহৰ কোবত নাও অনাই বনাই ফুৰিব ধৰিলে। এনেতে পৰ্বতৰ টিঙৰ দৰে শিং এটি উলিয়াই মাছ-দেৱতা নাৱৰ ওচৰ চাপিল। আগৰ কথা মতে

নাওখন শিঙত বন্ধা হ'ল। মাছে নাওখন ইফালে-সিফালে টানি লৈ সাঁতুৰি ফুৰিব ধৰিলে।

প্ৰলয়ৰ বিৰাট মূৰ্তি দেখি ৰজাই আকৌ মাছ-দেৱতাক স্তুতি কৰিব ধৰিলে। সন্তুষ্ট হৈ মাছে ৰজাক সকলো জ্ঞান, বিজ্ঞান, প্ৰজ্ঞান আদিৰ গূঢ় তত্ত্ব শিকালে। ব্ৰহ্মাৰ টোপনি নাভাগিল কাৰণে মাছৰূপী বিষ্ণু দেৱতাই নাওখন টানি লৈ ফুৰিলে।

ব্ৰহ্মাৰ টোপনি ভাগিল। নাৱত সাঁচি থোৱা গছ-গছনিৰ গুটি আৰু জীৱ-জন্তুৰ সঁচেৰে আকৌ ব্ৰহ্মাই সৃষ্টি ৰচনা কৰিলে। বিষ্ণুৱে হয়গ্ৰীৱ অসুৰক বধি বেদ চাৰিখন উদ্ধাৰ কৰিলে। বিষ্ণুৰ কৃপাত সত্যব্ৰত ৰজা এই বৰ্তমান যুগৰ বাবে বৈবস্বত মনু অৰ্থাৎ দুৱলীয়া সৃষ্টিকৰ্তা হৈ থাকিল।

বেবিলন দেশৰ পুৰাণতো এই প্ৰলয়ৰ কথা আছে। আৰু তাতো ইয়া (মাছ) দেৱতাৰ কৃপাত সৃষ্টিৰ কণ নমৰাৰ কথা বৰ্ণোৱা আছে।

# ডাৱৰ

(গ্ৰীক নাটৰ সাধু)

সমাজ আৰু প্ৰতিভাশালী লোকৰ ভিতৰত চিৰকলীয়া বিৰোধ। সমাজ স্বভাৱতে স্থিতিশীল আৰু প্ৰতিভা সৰ্বদায় গতিশীল, কিয়নো তত্ত্বান্বেষী ভৱিষ্যদ্দৰ্শী উঁই পৰুৱাই হাফলু বান্ধি বাহিৰৰ উপদ্ৰৱৰ হাত সাৰিবৰ মনেৰে বাহ সাজি থকাৰ দৰে, সামাজিক মানুহেও ভাবৰ হাফলু বান্ধি অচিনাকি ভাবৰপৰা তাত আশ্ৰয় লয়। বান্ধোন নহ'লে সামাজিক জীৱন অসম্ভৱ, সেই দেখি সকলো সামাজিক ভাৱেই মনৰ বান্ধোন স্বৰূপ। সেই বান্ধোনে এফালে যেনেকৈ সামাজিক সুখ-শান্তি দিয়ে আনফালে ই তেনেকৈ ব্যক্তিগত প্ৰতিভাৰ গতিশীলতা আৰু উদ্ভাৱনা শক্তিৰ বিৰুদ্ধে থিয় হয়। সেই কাৰণে স্বভাৱজাত পোহৰৰ গুণত প্ৰতিভাই যেতিয়া ভৱিষ্যতৰ বাতৰি আনি সমাজত সুমুৱায়, বা সমাজে নিজে গলত মেৰাই লোৱা বান্ধোন যে জাগতিক জীৱনৰ দীঘলীয়া বাটৰ জিৰণি ঠাইহে, গন্তব্যৰ শেহ সীমা নহয় বুলি প্ৰতিপাদন কৰিবৰ চেষ্টা কৰে, সমাজত তেতিয়া বিষম চাঞ্চল্য উপস্থিত হয়। সামাজিক ভাব বন্ধনস্বৰূপ হ'লেও মানুহে তাৰ চমু-বেঁকা সকলো আলি-পদূলি চিনি পায়, কিন্তু প্ৰতিভাৰ নিৰ্দিষ্ট বাট সুগম নে দুৰ্গম তাক কোনেও নাজানে। থাউনি পানীৰপৰা কোনে নোজোখা পানীত খোজ দিব?

সমাজত এই ভাবৰ বিৰোধ প্ৰতি নিমিষতেই চলি আছে। বহুৰূপীৰ দৰে ই কেতিয়াবা ৰাজনীতি, কেতিয়াবা সমাজনীতি, কেতিয়াবা ধৰ্মনীতি ক্ষেত্ৰত সময়তে ঠাট্টা-মস্কৰা, সময়তে গালি শপনি, সময়তে ঢাল-তৰোৱাল আদি নানাৰূপে স্বৰূপ প্ৰকাশ কৰে। সকলো দেশৰ বুৰঞ্জী কেৱল এই দুই ভাবৰ সংঘৰ্ষৰ বিৱৰণ মাথোন।

খ্ৰীঃ পূঃ চতুৰ্থ শতিকাত পুৰণি গ্ৰীচৰ এথেন্স ৰাজ্যত স্থিতিশীল আৰু গতিশীলসকলৰ ভাবৰ বৈষম্যৰ ফলত ভীষণ সামাজিক চাঞ্চল্যৰ উদ্ভৱ হয়। আমাৰ ভাৰতবৰ্ষৰ দৰে, পুৰণি গ্ৰীচতো নানা দেৱ-দেৱতাৰ পূজা-অৰ্চনা চলিছিল। সেইবোৰৰ উদ্দেশ্যে বহুদিনব্যাপী যাত্ৰা ভাওনা আদিও ৰাজভঁৰালৰ উমৈহতীয়া ধন ভগন কৰি মহা সমাৰোহেৰে পতা হৈছিল। কিন্তু, খ্ৰীঃ পূঃ চতুৰ্থ শতিকাত 'ছোফিষ্ট' (Sophist) বা জ্ঞানবাদী বুলি পণ্ডিত সম্প্ৰদায় এটাৰ আবিৰ্ভাৱ হ'ল। তেওঁলোক প্ৰকৃতপক্ষে এথেন্সবাসী নহয়। তেওঁলোক বিদেশী আৰু বেতনভোগী পণ্ডিত আছিল আৰু এথেন্স ৰাজ্যক তেওঁলোকৰ উপযুক্ত ক্ষেত্ৰ ভাবি সেই ৰাজ্যত আহি বাহ লয়। 'ছোফিষ্ট'সকল আমাৰ দেশৰ নৈয়ায়িক পণ্ডিত শ্ৰেণীৰ আছিল। যুক্তি-তৰ্কৰ সহায়েৰে যিটো কথা প্ৰতিপন্ন কৰিব নোৱাৰি, সেইটো তেওঁলোকে স্থূল বিশ্বাসেৰে মানি লোৱাৰ বিৰুদ্ধে আছিল। তৰ্কবিদ্যাৰ লগত তেওঁলোকে অলঙ্কাৰ শাস্ত্ৰৰো (Rhetoric) গভীৰ সমালোচনা কৰিছিল। সেই সময়ত এথেন্স ৰাজ্যত অলঙ্কাৰ শাস্ত্ৰৰ বৰ সমাদৰ আছিল। ইয়াৰ শাসন প্ৰণালী গণতন্ত্ৰ মতে চলিছিল। আৰু এনে শাসন প্ৰণালীত অলঙ্কাৰ বিদ্যাত নিপুণতা নাথাকিলে জননায়কসকলে জনমতৰ ওপৰত আধিপত্য কৰিব নোৱাৰে। পোহৰ ফঁহিওৱা কাচৰ দৰে অলঙ্কাৰ বিদ্যাৰ সহায়েৰে একেটি কথাতেই নানান ৰঙৰ সমাবেশ দেখুৱাব পাৰি। আৰু একেটি কথা বা মতকে, হয়ভৰ দি চিৰকাল সাবটি ধৰি থাকিব লাগিলে কোনেও ৰাজনীতি ক্ষেত্ৰত জননায়কৰ পদত থাকিব নোৱাৰে। এনে অৱস্থাত ৰাজনীতি ক্ষেত্ৰত ওখ আকাংক্ষা থকা ডাঙৰ মানুহৰ ঘৰৰ ল'ৰাবোৰৰ নামত ছোফিষ্টসকল বৰ আদৰৰ পাত্ৰ হৈ উঠিল আৰু ঘৰুৱা শিক্ষক হিছাপে তেওঁলোকৰ প্ৰতিপত্তি সমাজত বিয়পি পৰিব ধৰিলে।

ছোফিষ্টসকল ব্যৱসায়ী পণ্ডিত আছিল। তৰ্ক আৰু অলঙ্কাৰ বিদ্যাৰ সহায়েৰে একেটি কথাকেই নানানভাৱে ফঁহিয়াই দেখুৱাব

পৰা বাগ্মিতাত বাজে সমাজ বা ধৰ্মনীতি ক্ষেত্ৰত কোনো মূল তত্ত্বৰ সন্ধান দিয়া তেওঁলোকৰ উদ্দেশ্য নাছিল। তেওঁলোকৰ শিকনিৰ ফলত তৰুণ জননায়কসকলে পুৰণি ৰীতি-নীতিত আস্থা হেৰুৱালেও সেইবোৰৰ ঠাইত কোনো বিশেষ ভাল ৰীতি-নীতিৰ উৱাদিহ পোৱা নাছিল। এনে সময়ত এথেন্স নগৰত জ্ঞানী চক্ৰেটীছৰ আবিৰ্ভাৱ হয়। তেওঁ এথেন্স নগৰৰেই অধিবাসী আছিল। পুৰণি পন্থীসকলৰ স্থুল বিশ্বাসত তেওঁৰ আস্থা নাছিল আৰু ছোফিষ্টৰ একেটি কথাকে দহ ফাল কৰি দেখুৱাব পৰা তৰ্ক বিদ্যাতো তেওঁৰ আস্থা নাছিল। পুৰণি বিশ্বাস ভুল হ'ব পাৰে, সম্ভৱ ভুলো, কিন্তু ভুল দেখুৱালেই আলোচনাৰ ওৰ নপৰে। মূল সত্য কি, তাৰ স্বৰূপ এনেকুৱা, ইটো সন্ধান কৰাকেই জ্ঞানী চক্ৰেটীছে জীৱনৰ মহাব্ৰত বুলি আঁকোৱালি ধৰিলে।

এই ব্ৰতত ব্ৰতী হৈ জ্ঞানী চক্ৰেটীছে বাট-ঘাট, হাট-বজাৰ সকলো ঠাইতেই কবি, দাৰ্শনিক, ধাৰ্মিক, জননায়ক আদি পণ্ডিত বোলাওঁতা সকলোৰে সৈতে মূল সত্যৰ স্বৰূপ লৈ তৰ্ক কৰি ফুৰিবলৈ ধৰিলে। তেওঁৰ মতে সত্যই জ্ঞান আৰু জ্ঞানেই ধৰ্ম। তেওঁৰ তৰ্ক-প্ৰণালীও এক অপূৰ্ব ধৰণৰ আছিল। তেওঁ প্ৰশ্ন কৰি গৈ থাকে আৰু প্ৰতিপক্ষই যি উত্তৰ দিয়ে সেই আটাইবোৰতেই হয়ভৰ দি গৈ থাকে। বছা বছা প্ৰশ্নৰ সহায়েৰে প্ৰতিপক্ষক এনেকৈ বুলাই লৈ গৈ থাকে যে নিজৰ অসঙ্গত কথাৰ জালত নিজে মেৰ খাই প্ৰতিপক্ষই নিজে শেহত ভেবা-চেকা খাই পলাবলগীয়াত পৰে। এই তৰ্ক-প্ৰণালী এনে প্ৰসিদ্ধ হৈ পৰিছিল যে পিছৰ কালত ইয়াক চক্ৰেটিছ ব্যাজোক্তি (Socratic Irony) বোলা হৈছিল। বাট-ঘাট, হাট-বজাৰ সকলো ঠাইতেই চক্ৰেটিছে এইদৰে পণ্ডিত বোলাওঁতাসকলক হাবাথুৰি খুৱাই ফুৰিছিল আৰু বিপক্ষৰ ভঙ্গ উপভোগ কৰিবলৈ তেওঁৰ পাছে পাছে বাটৰুৱা ল'ৰাবোৰে জুম বান্ধি ফুৰিছিল। তেওঁ কোনো সম্প্ৰদায় স্থাপন কৰা নাছিল কিন্তু, কেতবোৰ প্ৰতিভাশালী ডেকাই তেওঁৰ জ্ঞানবাদৰ মূল মত গ্ৰহণ কৰি তেওঁৰ শিষ্যত্ব গ্ৰহণ কৰে।

এইসকলৰ ভিতৰত ইউৰোপৰ অদ্বিতীয় দাৰ্শনিক পণ্ডিত প্লেটোই প্ৰধান।

পুৰণি পন্থী এথেন্সবাসীসকলৰ মানত ছোফিষ্ট আৰু জ্ঞানী চক্রেটিছৰ ভিতৰত কোনো প্ৰভেদ নাছিল। তেওঁলোকৰ ভিতৰত যি প্ৰভেদ, সি ইমান সূক্ষ্ম যে সাধাৰণৰ মনত সি ধৰা নপৰিছিল। আৰু পৰিলেও ছোফিষ্ট আৰু চক্রেটিছ দুয়ো দুই ফালৰপৰা পুৰণি মতৰ বিৰুদ্ধে বিদ্ৰোহ আচৰণ কৰিছিল।

তাত বাজেও ছোফিষ্ট পণ্ডিতসকলে দৰমহা লৈ ডাঙৰ মানুহৰ ঘৰত ঘৰুৱা শিক্ষকতা কৰিছিল, সেই দেখি জনসাধাৰণৰ ওপৰত তেওঁলোকৰ প্ৰভাৱ চমু বাটেৰে পৰা নাছিল। চক্রেটিছ সত্যব্ৰতী, তেওঁ ধনৰ লোভত সত্যৰ সন্ধানত ফুৰা নাছিল। তেওঁৰ বিচাৰৰ ঠায়ো হাট-বাট আদি। ভব্য-গব্য নাগৰিকসকলৰ তৰ্কত ভঙ্গ চাবলৈ ল'ৰাবোৰেও তেওঁৰ লগ নেৰে। চক্রেটিছৰ তৰ্ক-প্ৰণালীৰ কোবত পুৰণি মতবাদী নাগৰিকসকল অতিষ্ঠ হৈ উঠিল আৰু তেওঁৰ লগে লগে ফুৰা ল'ৰাসকলক লক্ষ্য কৰি ক'ব ধৰিলে যে চক্রেটিছে ডেকা সম্প্ৰদায়ক ভ্ৰষ্টাচাৰত প্ৰবৰ্তন কৰাইছে।

এই সন্ধিক্ষণত পুৰণি মতৰ সমৰ্থক স্বৰূপে প্ৰতিভাশালী ব্যঙ্গ নাট্যকাৰ এৰিষ্টোফেনিছৰ অভ্যুদয় হয়। সমালোচকসকলৰ মতে তেওঁ জগতৰ অদ্বিতীয় 'কমেডিয়ান' বা হাস্যৰসাত্মক নাট্যকাৰ। এওঁৰ ব্যঙ্গৰ চোকা বাণে এথেন্সৰ নাগৰিক জীৱনৰ কোনো বিভাগতেই খোঁচ নমৰাকৈ থকা নাই।

ব্যঙ্গৰসৰ ঢল-পানীৰে এথেন্সৰ মানসিক জীৱনৰপৰা ছোফিষ্ট-চক্রেটিছৰ তৰ্কৰ মলি ধুই পেলাবৰ মনেৰে খৃঃ পূঃ ৪২৩ শকত এথেন্স নগৰৰ প্ৰধান ৰঙ্গমঞ্চত তেওঁ "ডাৱৰ" নামে ব্যঙ্গাত্মক নাট এখন থিয় কৰে। এই নাটত চক্রেটিছক ছোফিষ্ট সম্প্ৰদায়ৰ নেতা বুলি ধৰি লৈ সেই সম্প্ৰদায়ক লক্ষ্য কৰি তেওঁৰ প্ৰতি ঠাট্টাৰ চোকা বাণ বৰষা হৈছে। নাটকীয় কথা-বস্তুৰ চমু বিৱৰণ তলত দিয়া হ'ল।

এথেন্স নগৰত ষ্ট্ৰেপ্‌চিয়াডিছ নামে এজন নাগৰিক আছিল। তেওঁৰ আগেয়ে মাটি-বাৰী, ধন-বিত্ত আছিল। কিন্তু, ধন ভগনীয়া ল'ৰাৰ বিলাসিতা গুণত এতিয়া ঋণত পৰি তেওঁৰ দুৰ্দশা শেষ সীমাত পৰিছেগৈ। এদিন ৰাতি বিছনাত পৰি ধাৰৰ কথা ভাবি ছটফটাই আছে। "ৰাতি নো আজি নুপুৱাবনে? কুকুৰাৰ মাত শুনিছো যেন লাগিছে। ৰন্ধা-চাকৰ আটায়ে ফোঁচফোঁচাই শুই আছে। যেনেহে দিন-কাল পৰিছে সিহঁতকো মাতিবৰ সাধ্য নাই। সোৱা মোৰ কুল তিলক, কোনো ভাবনাই তাৰ টোপনি ক্ষতি কৰিব নোৱাৰে। ধাৰৰ জালত মোৰ চকু জাপেই নাযায়। নন্দনৰ ধুনপেচ, ঘোঁৰাখেল, ৰথ-খেল আদিৰ খৰচেই মোক তললৈ নিলে।" মেলা চকু জপাবলৈ আকৌ এবাৰ মিছা চেষ্টা কৰি বুঢ়াই চাকি এটি দিবলৈ বন্ধা এটিক মাতি আঙুলিৰ মূৰত ধাৰ লেখিবলৈ ধৰিলে। "অমুকাক দিব লাগে পাঁচ শ ৰূপ। তাৰপৰা নো কেতিয়া পাঁচ শ ৰূপ লৈছিলো? অ' মনত পৰিছে, সৌ কজলা ঘোঁৰাটো কিনিবলৈ! ঘোঁৰাই হয়! ঘোঁৰাই মোৰ মূৰটো আচন্দ্ৰাইকৈ ঘূৰাই লৈ ফুৰাব লাগিছে।" এনেতে ঘোৰ টোপনিতেই ফিডিপিডিছ বোলা বুঢ়াৰ ল'ৰাই মাত দি উঠিছে, "হেৰ ফিলো, সেইটো অন্যায়, নিজৰ চাকেৰে ঘোঁৰা চলাবি।" "এয়েই মোক তললৈ নিলে" বুঢ়াই ভাবিছে, "সপোনতো ই ঘোঁৰা লৰাইছে।" ফিডিপিডিছ (টোপনিত):—ৰথবোৰ কেইবাৰ ঘূৰিছে?

ষ্ট্ৰেপ্‌চিয়াডিছ—বাপেকৰ নাকত জৰি লগাই বহুবাৰ ঘূৰাইছে। বাৰু লেখোচোন আকৌ কাক দিব লাগে? দেৰ শ ৰূপ তমুকাক দিব লাগে। কেলেই? ছুটি চকা আৰু ৰথৰ জকাটোৰ বাবে। পুতেক (টোপনিত)—ঘোঁৰা পোৱালিটিক এবাৰ বালিত বগৰাই ঘৰলৈ লৈ যা।

বাপেক—হেৰ খেকাৰ খোৱা, তই মোক ঘৰৰপৰা বগৰাই উলিয়াই দিলি।

পুঃ—(সাৰ পাই) পিতাদেও আপোনাৰ হৈছে কি, ওৰে ৰাতি এইদৰে ছটফটাই আছে কিয়?

বাঃ—পিয়াদাৰ চমনে মোক কামুৰিছে, বোপাটি, বৰকৈ কামুৰিছে।

পুঃ—ভাল, ভাল আকৌ এটোপনি মাৰি লওঁ।

বাঃ—শু, শু, ধাৰৰ বোজা ডাঙৰ হৈ মোৰ মূৰতেই আকাশী সৰগৰ দৰে পৰিল। হতচিৰী যাওক, সেই ছোৱালী চোৱা কন্যা ঘৰপতাজন, যি তোৰ মাৰক বিয়া কৰাই দিলে। খেতিয়কৰ ল'ৰা, কি সুখেৰে পামত দিন নিয়াইছিলো, মৌৰ বাহ পাৰি, ছাগলী ৰাখি, লাওপানী খায়। পিছত বিয়া কৰিব পালো মেগাক্লিচৰ ভতিজা ছোৱালীজনী—মই হ'লো খেতিয়ক, তাই হ'ল ধুন পেচ মৰা নগৰৰ মহিলা। ল'ৰা উপজিল, বুজন হ'লত তাই ল'ৰাৰ কাণ ছুৱাব ধৰিলে। "অ' সোণপাহি, ডাঙৰ হ'লে তোৰ আতা-দেউতাসকলৰ দৰে ৰথ ডকাই ফুৰিবি, বহুমূলীয়া সাজ পিন্ধিবি।" মই কওঁ, হেৰ বোপাটি ডাঙৰ হ'লে খাৰুৱা কাপোৰ পিন্ধি মোৰ দৰে ছাগলী খেদি ফুৰিবি।" মোৰ কথা শুনিলে ক'তা! ছাগলী খেদিব থাওক মোকহে খেদাই লৈ ফুৰিব ধৰিছে। যাওক, যাওক, মোৰ কথা শুনে যদি বিপাঙৰ হাত সাৰিবলৈ বুদ্ধি এটি সাজিছো! তাক জগামনে? (কোমল মাতেৰে) বোপাইটি, অ' ফিডি বোপাইটি?

পুঃ—কি হৈছে পিতাদেও?

বাঃ—চুমা এটি খাওঁচোন, আৰু হাতখন আগবঢ়াই দে!

পুঃ—কিয়, কিয়, দিছো।

বাঃ—এয়া তই মোক ভাল পায়নে?

পুঃ—"অশ্বপতি" দেৱতাৰ শপথ।

বাঃ—তোৰ অশ্বপতিৰ নাম নল'বি। অশ্বপতিয়েই মোক খালে। তই যদি মোক ভাল পাৱ মই যি কওঁ কৰ।

পুঃ—কি নো?

বাঃ—তই কৰিবি তেনেহ'লে?

পুঃ—"সুৰাপতি"ৰ শপথ কৰিম।

বাঃ—সৌৱা পঁজাটো দেখিছনে?

পুঃ—হয়, কি হ'ল ?

বাঃ—সেইটো জ্ঞানীসকলৰ "অনুসন্ধান সমিতি।" তাত থকা মানুহবোৰে প্ৰমাণ কৰিব পাৰে আকাশখন হেনো এটি আখা আৰু আমি জুইৰ আঙঠা। সিহঁতক পইছা দিলে ভাল-বেয়া সকলো শিকাব।

পুঃ—ভাল, সিহঁতনো কোন ?

বাঃ—সেইটো নাজানো। সিহঁত বৰ চোকা মানুহ।

পুঃ—অ' মনত পৰিছে। টেঙৰ মগনীয়াৰহঁত! আপুনি সেই শেতামুখ, ছালছিগা, কেলেহুৱা চক্ৰেটিছ, কেৰেফন আৰু সিহঁতৰ পিছে পিছে ফুৰা ভিকহুমখাৰ কথা কৈছে ?

বাঃ—নাপায়, নাপায়, তেনে আহুকলীয়া কথা ক'ব নাপায়। তই যদি বাপেৰক ভাল পাৱ সিহঁতৰ তাত শিকাগৈ আৰু ঘোঁৰা চেকুৰা এৰি দে।

পুঃ—সিহঁতৰ তালৈ যাম ? সুৰাপতিৰ শপথ, মই যদি যাওঁ।

বাঃ—সোণামুৱা মোৰ, কাবৌ কৰিছো, গৱেষণা-ঘৰত শিকগৈ।

পুঃ—কি শিকিম ?

বাঃ—মানুহে কয়—সিহঁতৰ পোন, বেঁকা দুই ধৰণৰ তৰ্কবিদ্যা আছে। যিজনে বেঁকা বিদ্যা শিকে তাৰ কোনো ঠাইতেই ভঙ্গ নহয়। এই বিদ্যাটো শিকগৈ। তেনেহ'লে তোৰ বাবে ধাৰ কৰা টকাৰ বাবে কাকো এটি ফুটা কড়িও মই দিব নালাগিব।

পুঃ—সেইটো ভাবিবই নোৱাৰো। সেই খাব নোপোৱা শেতামুখা বহুৱাহঁতৰ তাত শিকিমগৈনে ?

বাঃ—যদি কথা নুশুন, আজিৰপৰা এমুঠি চাউলো খাব নোৱাৰ। টোপোলা-টুপলি লৈ এভিয়াই ওলা।

পুঃ—অকণো বেজাৰ নাই। মোৰ মোমাইহঁত ডাঙৰ মানুহ, তেওঁলোকে মোক ঘোঁৰাৰ যোগাৰ দিব।

বুঢ়াই পুতেকৰ লগত নোৱাৰিলে। কিন্তু বুঢ়া ভঙ্গ খাবৰ মানুহ নহয়, পুতেকে নিশিকিলে যদি নিজেই গৈ এই নতুন বেঁকা

বিদ্যা শিকিব। বুঢ়া বয়সত তৰ্কৰ কূটবোৰ ধৰিব নোৱাৰিব বুলি সংশয় হৈছিল যদিও সাহসত ভৰ দি গৱেষণা ঘৰৰ ফালে খোজ ল'লে। দুৱাৰত গৈ খুন্দিয়ালে। চেলা এজন ওলাই আহি ডাঙৰকৈ শব্দ কৰা বুলি বুঢ়াক ভৎৰ্সনা কৰিলে আৰু সুধিলে, "তই কোন? দুৱাৰত খুন্দিয়াই বহুত ভাবৰ সূতা ছিঙিলি।"

ষ্ট্ৰেপঃ—ক্ষমা কৰিব। দূৰ গাঁৱৰপৰা আহিছো। কি হানি কৰিলো কোৱাচোন।

চেলা—সেইবোৰ কথা শৰণীয়াৰ আগতহে ক'ব পাৰি।

বুঢ়া—ময়ো শৰণীয়া, চেলা হ'বলৈহে আহিছো।

চেলা—শুন তেনেহ'লে, কিন্তু মনত ৰাখিবি "কথা ইটো পৰম গুপুত।" সিদিনাখন চক্ৰেটিছে কেৰেফনক সুধিলে, মাখি এটিয়ে এজাঁপতে ইয়াৰ নিজৰ ভৰিৰ কেইগুণ যাব পাৰে? মাখি এটিয়ে কেৰেফনৰ চেলাউবিৰিৰপৰা জ'পিয়াই গৈ চক্ৰেটিছৰ মূৰত পৰিছিলগৈ।

বুঢ়া—কেনেকৈ জুখিলে?

চেলা—বৰ সূক্ষ্ম প্ৰণালীৰে। তেওঁ মোম এডোখৰ গলাই লৈ মাখিটোৰ ভৰিকেইখন তাত জুবুৰিয়ালে। মোম শুকালত তাৰে জুখিলে।

বুঢ়া—কি ৰহইচ! মোক অনুসন্ধান সমিতিত দিয়া। চক্ৰেটিছক চাবলৈ মনটোৱে খোঁচা-বিন্ধা কৰিব লাগিছে।

দুৱাৰ মেল খালে। গৱেষণা-মগ্ন চেলাবোৰে নানান অঙ্গী-ভঙ্গী কৰি থকা দেখি সেই বুঢ়াই বিচুৰ্তি খাই সুধিলে—"এইবোৰ কি জানোৱাৰ? ইহঁতে ভিনিমূৰীয়া বুঢ়াৰ দৰে তলমূৰে মাটিৰ ফালে চাই আছে কিয়?"

চেলা—ইহঁতে মাটিৰ তলত থকা শিলগুটি হিলৈগুটি আদিৰ অনুসন্ধান কৰিছে।

বুঢ়া—শেলুক বিচাৰিছে। ইয়াত ক'ত পাব! মই ক'ব পাৰো ক'ত বেছিকৈ পোৱা যায়—খাৰঘুলিতহে। এইবোৰ একা! চিত হৈ

দুই ঠেঙৰ মাজত মুৰ সুমাই দোৰোল খাই ওপৰ মুখে কি চাইছে ?

চেলা—সিহঁতে ওপৰমুখে নৱগ্ৰহ তত্ত্ব সন্ধান কৰিছে।

বুঢ়া—সৌটো কি ?

চেলা—সেইটো জ্যামিতি।

বুঢ়া—তাৰে কি হয় ?

চেলা—মাটি জোখা হয়।

বুঢ়া—অ' ইয়াৰেহে আমাৰ সীমা জুখি দিয়া হয়, সজ ! সজ !

চেলা—এইখন চা। এইখন পৃথিৱীৰ মানচিত্ৰ। এইখন এথেন্স।

বুঢ়া—এথেন্স ? কোনে পতিয়াব ? দেৱানী আদালতখন বহা নেদেখোচোন।

বুঢ়াই ঘৰৰ চালৰ ফালে চকু ফুৰালত দেখিলে পাচি এটিৰ ওপৰত কোনোবা এজন ওলমি আছে। "সেইটো কোন ? পাচি এটিত ওলমি আছে ?"

চেলা—সেইটো "তেওঁ"।

বুঢ়া—কোন "তেওঁ" ?

চেলা—চক্ৰেটিছ।

দুই-তিনিবাৰ গল-হেকাৰি মাৰি কোনোমতে বুঢ়াই চক্ৰেটিছৰ দৃষ্টি আকৰ্ষণ কৰিলে। "তোক কি লাগে হেৰ এদিনীয়া, খন্তেকীয়া প্ৰাণী ! মই বায়ুমণ্ডলত খোজ কাঢ়ো আৰু মোৰ ওখ ভাব সূৰ্য-মণ্ডলত বিচৰণ কৰে।"

বুঃ—অ' পাচিটোত উঠি দেৱ-দেৱীৰ প্ৰতি হেয় চকুৰে চোৱা হ'বলা, হয়নে ?

চঃ—বায়ুমণ্ডলত বিহাৰ নকৰিলে, সূক্ষ্ম বায়ব্য তত্ত্ব গ্ৰহণ কৰিব নোৱাৰি। পৃথিৱীৰ ওপৰত থাকিলে ইয়াৰ হোঁপনি শক্তিয়ে বুদ্ধিৰ ৰস হুঁপি শুকাই পেলায়।

বুঃ—বুজিলো, শাহ নোহোৱা ভোলৰ চোঁচোৰা যেন হয়। এবাৰ নামি আহাচোন। মই বিদ্যা বিচাৰি আহিছো, এটি শিকনি দিয়া।

চঃ—কি শিকনি ?

বুঃ—কথা ক'বলৈ। ঘঁৰিয়াল ঠুঁটীয়া ধকুৱাবোৰে মোক ছিৰাছিৰ কৰিব লাগিছে।

চঃ—কেনেকৈ খাব লগালি ?

বুঃ—ঘোঁৰা-দানহে মোক খালে। তোমাৰ পোন-বেঁকা দুটি বিদ্যাৰ বেঁকা বিদ্যাটো মোক শিকাব লাগে, যিটো শিকিলে ধকুৱাক টকা ওভতাই দিব নালাগে। যি বানচ লাগে তাকেই দিম, দেৱতাৰ নামে শপথ লৈছো।

চঃ—আমাৰ ইয়াত দেৱ-দেৱতাৰ চলতি নাই। দেৱতা জানিব খোজা যদি ডাৱৰ দেৱতাক জানিবি। আমি ডাৱৰ উপাসক, বুজিলি ?

বুঃ—বুজিলো।

চক্রেটিছ ওলমি থকা পাচিৰপৰা নামিল। বুঢ়াক আসন এখনত বহুৱাই মূৰত মালা এধাৰি আৰু গাত আতাগুৰি ছটিয়াই দিলে। বুঢ়াৰ সংশয় উপজিল। বলিৰ পশুবোৰকো এইদৰে আতাগুৰি ছটিয়াই মালা পিন্ধোৱা হয়। কিন্তু বুঢ়াক কোৱা হ'ল, সংশয়ৰ কাৰণ নাই, এইটো শৰণ প্ৰথাহে। এবাৰ শৰণীয়া হ'লে আৰু ভয় নাই, বেঁকাক পোন আৰু পোনক বেঁকা কৰা বিদ্যা তেওঁৰ জিভাৰ আগত নাচিব আৰু মূৰৰ মালাধাৰিয়ে এইটোহে সূচাইছে যে তেওঁ উকীল সম্প্ৰদায়ৰ চূড়ামণি হ'ব।

গভীৰ উদাত্তস্বৰে চক্রেটিছে নীল নদী সমুদ্ভুত অলিম্পাচ পৰ্বত বিহাৰী ডাৱৰ দেৱতাৰ উদ্দেশ্যে স্তোত্ৰ এটি পাঠ কৰিলে আৰু ডাৱৰ দেৱতায়ো বজ্ৰধ্বনিৰে নিজৰ আগমন ঘোষণা কৰি তিৰোতাৰ আকৃতি ধাৰণ কৰি গুৰু-শিষ্যৰ আগত আহি উপস্থিত হ'লহি।

বুঃ—কোৱাচোন, গভীৰ মন্ত্ৰধ্বনিৰে সেইবোৰ কি আহিছে ?

চঃ—সেইবোৰ আকাশৰ ডাৱৰ।

বুঃ—ক'তা, ক'তা ?

চঃ—পৰ্বত-ভৈয়াম জুৰি সৌবোৰ।

বুঃ—মই দেখা নাই।

চঃ—এতিয়া দেখিব পাৰ, বাহুলিৰ দৰে কণা নহয় যদি।

বুঃ—দেখিছো, সিহঁত সকলো ফালে বিয়পি আছে।

চঃ—সিহঁত দেৱী বুলি জনা নাছিলিনে ?

বুঃ—নাছিলো। মই জনাত ডাৱৰ ধুৱলি-কুঁৱলিহে। কোৱাচোন, সিহঁত যদি ডাৱৰ হয়, সিহঁতক তিৰোতা যেন দেখা যায় কিয় ? আচল ডাৱৰতো তেনেকুৱা নহয়।

চঃ—কেনে ?

বুঃ—ডাৱৰ উৰি ফুৰা তুলাৰ দৰে, তিৰোতাৰ দৰে কেতিয়াও নহয়।

চঃ—মোৰ কথাৰ সমিধান দে। তই কেতিয়াও আকাশত বাঘ, ভালুক বা বলধৰ আকৃতিৰ ডাৱৰ দেখা নাইনে ?

বুঃ—দেখিলো কি হ'ল ?

চঃ—সিহঁত কামৰূপী। সিহঁতে যেতিয়া আখৰ গোঁঠা কোনোবা টিলিকা কবিক ঘাৰৰ ওপৰত মেল খোৱা দীঘলীয়া চুলি ৰখা দেখে, তেতিয়া হয়গ্ৰীৱ মূৰ্তি ধৰি টিলিকা কবিক নিজৰ নিজৰ স্বৰূপ দেখুৱায়। দেখিলা বান্ধ, ডাৱৰহে আচল দেৱতা, আন সকলো বলিয়াৰ সপোন।

বুঃ—অলিম্পাচৰ জ্যুচ তেনেহ'লে দেৱতা নহয় ?

চঃ—কোন জ্যুচ্? বলিয়ালি নকৰিবি, জ্যুচ বোলা কোনো দেৱতা নাই।

বুঃ—কি ? বৰষুণ দিয়ে কোনে তেন্তে ?

চঃ—কেলৈ, এইবোৰে। ডাৱৰ নোহোৱাকৈ বৰষুণ পৰা দেখিছ জানো ? জ্যুচে বৰষুণ দিয়াহেঁতেন ফট্‌ফটীয়া আকাশৰ পৰা বৰষুণ নামিব লাগিছিল।

বুঃ—বাৰু, তেন্তে গাজনি মাৰে কোনে ?

চঃ—এইবোৰে, সিহঁত বাগৰি গ'লেই শব্দ ওলায়, সিহঁত পানীৰে ভৰপূৰ হৈ থাকে আৰু খুন্দা খালেই ভৰা কলহৰ দৰে শব্দ কৰে।

বুঃ—কিন্তু কোনে সিহঁতক বগবাই ফুৰায় ? নিশ্চয় জ্যুচ্‌ দেৱতাই ?

চঃ—নহয়, জ্যুচে নহয়, ঘূৰ্ণীপাকে ।

বুঃ—বুজিলো, জ্যুচৰ ঠাইত ঘূৰ্ণীপাকহে ৰজা ।

চঃ—তেনেহ'লে আমাৰ উপাস্য ডাৱৰ, ঘূৰ্ণীপাক আৰু জিভা । এই তিনিটাত বাজে আন দেৱতা নামান ?

বুঃ—মানিমনে ? লগ পালেও সিহঁতৰ লগত কথাকেই নকওঁ । ডাৱৰে মাত লগাই সুধিলে—তোক কি লাগে, ভাঙি ক ।

বুঃ—মই গ্ৰীচ দেশৰ ভিতৰতেই কথা-চহকী হ'ব খোজো ।

ডাঃ—সেইটো হবি । কাউঞ্চিলত তোতকৈ কোনেও বেছি প্ৰস্তাৱ সৰকাই নিব নোৱাৰিব ।

বুঃ—মই কাউঞ্চিলৰ প্ৰস্তাৱ কুট্টা যেন দেখো । ধৰুৱাৰ আঙুলিৰ ফুটাৰে সৰকিব খোজো ।

ডাঃ—সেইটো তুচ্ছ কথা । আমাৰ ভক্তসকলক হিছাপটো বুজাই দে একো ভয় নাই ।

বুঃ—তোমালোকৰ কথা মানি ল'লো । এফালে ধৰুৱাৰ টাঙোন, আনফালে ফোপাহী তিৰোতাৰ ধূনপেঁচ—গত্যন্তৰ নাই । ভোক, পিয়াহ, জাৰ, ক্লেশ সকলো স'ব পাৰো কেৱল পোন কথা বেঁকা কৰিবৰ ক্ষমতা দিয়া ।

ডাঃ—মানুহজনৰ পিত আছে । বাৰু, আমাৰ পৰা যদি শিকনি লৱ, তোৰ তুৱাৰ-ডলিৰ পৰা মক্কেল নুঠিবই । চক্ৰেটিছ, ইয়াক লৈ গৈ এতিয়া বুজ দিয়া ।

চক্ৰেটিছে বুঢ়াক ভিতৰলৈ লৈ গৈ ব্যাকৰণৰ আৰু ছন্দ শাস্ত্ৰৰ গুৰিৰ কথা কিছুমান বুজালে । কিন্তু, বুঢ়াৰ মগজু ইমান গোটমৰা, তাক একোৱে বিন্ধিব নোৱাৰিলে । চক্ৰেটিছে ঘোৰ বিৰক্তিৰে ওলাই আহি বুঢ়াৰ বিষয়ে আপত্তি কৰিলে । শেষ পৰীক্ষা স্বৰূপে বুঢ়াক খাট এখনত শুৱাই, কামলি এখনেৰে গা-মূৰ বতাহ সোমাব নোৱৰাকৈ মেৰাই পেলাই থৈ ক'লে, "যদি কোনোবা কথাৰ উদ্বাদিহ নাপাৱ

তেনেহ'লে সেইটো এৰি আন এটি কথাত জঁাপ দি ধৰিবি।"

বুঃ—উঃ! উঃ!

ডাঃ—কি হ'ল?

বুঃ—তক্তাৰ ফাটৰ পৰা উৰহে কামুৰিছে।

চঃ—তই গৱেষণা কৰানেকি অ'?

বুঃ—কৰিছো।

চঃ—কি?

বুঃ—উৰহে ছাল্লখন চালনীৰ দৰে কৰিবনে বুলি।

চঃ—কাপুৰুষ নহ'বি। কাপোৰখন ভালকৈ মেৰাই লৈ গৱেষণা কৰ।

বুঃ—(অলপ ৰৈ) অ' চক্রেটিছ, সুত নিদিবলৈ বুদ্ধি এটি পাঙিছো।

চঃ—কেনেকৈ?

বুঃ—থেচেলী নগৰৰ পৰা তান্ত্রিক ভৈৰৱী এজনী পইছা দি আনিম। তাই মন্ত্র মাতি আকাশৰ পৰা জোনটো নমাই আনিব আৰু মই বাকচত বন্ধ কৰি থম।

চঃ—লাভ?

বুঃ—কেলৈ? জোন যদি নুঠিল সুত দিব নালাগে।

চঃ—কিয়?

বুঃ--কৰাল মতে পহিলা জোনৰ দিনাখনহে সুত আদায় কৰিব লাগে।

চঃ—বাৰু পালো। কচোন, তোৰ বিৰুদ্ধে পঞ্চাশ টকাৰ দেৱানী এটা হ'ল। কেনেকৈ ডিক্রীৰ পৰা সাৰিবি?

বুঃ—কেনেকৈ? মনত খেলোৱা নাই, বাৰু গৱেষণা কৰো।

চঃ—তেল-শালিৰ গৰুৰ দৰে মনটো চাৰিওফালে ঘূৰিব নিদিবি। জৰি লগোৱা কাকতৰ চিলাৰ দৰে ওপৰলৈ উধাব দিবিচোন।

বুঃ—খেলাইছে, দেৱানী জিকিবলৈ চোকা বুদ্ধি তিৰবিৰাইছে। বেজৰ দোকানত চকমকী কাঁচ দেখিব পোৱা, যাৰে জুই জ্বলায়?

চঃ—আগ্নেয় কাঁচৰ কথা কৈছ হ'বলা ?

বুঃ—ঠিক, কেৰাণীয়ে যেতিয়া ডিক্রী লিখে, সেই কাঁচ এডোখৰ আনি কাকতৰ ওপৰত সূৰ্যৰ তাপ পেলাই দিলেই সকলো ভস্ম হ'ব।

চঃ—সজ, সজ, পকা বুদ্ধি। বাৰু, আৰু এটি প্রশ্নৰ সমিধান দেচোন। তই জানিবা দেৱানীৰ পদকীয়া, তোৰ পক্ষে কোনো সাক্ষী নাই। কি উপায়েৰে সাৰিবি ?

বুঃ—অতি সহজ। মোৰ মোকৰ্দমা উঠাৰ আগতেই ডিঙিত ফাঁচ দি মৰি থাকিম।

চঃ—অবোধ! তোৰ লগত আৰু নোৱাৰো। এনে অবুজ বুঢ়া আৰু দেখা নাই। যা গুচি যা।

বুঃ—ওঁ, ওঁ! মোৰ কি গতি হ'ব? পূজনীয় ডাৱৰ, মোক উপায় দিয়া।

ডাঃ—তোৰ যদি বয়স পোৱা ল'ৰা থাকে, তাকেই বিদ্যা শিকিবলৈ পঠিয়াই দেগৈ।

বুঃ—ল'ৰা এটি আছে, কিন্তু সি নিশিকে।

ডাঃ—তই চাই আছ ?

বুঃ—কি কৰিম, ল'ৰাকো বলে নোৱাৰো, মাকো আৰু নগৰৰ মহিলা। আকৌ এবাৰ চেষ্টা কৰি চাওঁ, কথা নুশুনিলে ইবাৰ ঘৰৰপৰা খেদিম।

ষ্ট্রেপ্‌চিডিয়াছে ঘৰলৈ আহি ল'ৰাক কাবৌ কৰিব ধৰিলে। ল'ৰাক কথা শুনোৱা টান। ল'ৰাই ক'লে, "পিতাদেও, জ্যুচ্ দেৱতাৰ নাম লৈ কৈছো, আপোনাৰ মূৰৰ বিকাৰ ঘটিছে।"

বুঢ়াই মাত লগালে—এয়া কি অঁকৰা! জ্যুচ্ দেৱতা ?

ল'ৰা—আচৰিত হ'ল যে ?

বুঃ—তই দেখো জ্যুচ্ দেৱতাৰ কথা কৈছ। জ্যুচ্ বোলা কোনো নাই।

লঃ—এইখন মূৰ্খালি কোনে শিকালে ?

বুঃ—চক্রেটিছে।

লঃ—সেই বলিয়াহঁতৰ কথা পতিয়ালে ?

বুঃ—ছি ছি, সেই প্ৰবীণ, জ্ঞানীসকলক গালি নাপাৰিবি। সিহঁত এনে মিতব্যয়ী, কেতিয়াও নখ চুলি নুখুৰায়, গা নোধোৱে। তই যা, সিহঁতে শিকাওঁ বোলা কথাখিনি শিকি আহগৈ।

লঃ—প্ৰবীণেই হয়! সেই দেখিছে আপোনাৰ গাৰ চোলাটোও হেৰাল।

বুঃ—হেৰোৱা নাই; মোৰ ভাবতেই উৰি গ'ল।

লঃ—জোতা? কি হ'ল?

বুঃ—লগা কামতেই খটাইছো।

লঃ—বুজিছো। কেলেহুৱা ভিকহুহঁতে শৰণ দিয়া ছলেৰে জোতা কাপোৰ আঁতৰালে। সেইবোৰ বেচিহে এসাজ খাব। ভাল, যাব লাগে যাওঁ। এদিন কিন্তু ইয়াৰ বাবে আপুনি অনুতাপ কৰিব।

ফিডিপিডিছ অনুসন্ধান সমিতিত ভৰ্তি হ'ল। ইফালে সুত উঠাই দিবৰ দিন ওচৰ চাপিল। বুঢ়াই ভাবিব ধৰিলে—"চাৰিদিন গ'লেই, তাৰ পিছৰ দিন! ভাবিবলৈকে ঘিণ লাগে। ধৰুৱাহঁতে শপথ কাঢ়িছে, আৰু সময় নিদিয়ে। মই কিমান বুজালো—"হেৰ, এভাগ পিছলৈ ল'বি, এভাগ এৰি দে, এভাগ নলওঁ বুলি ক'।"—নামানে, ল'ৰাই পোনক বেঁকা কৰা বিদ্যাটো সোনকালে শিকি আহিলে মোক আৰু পায় কোনে? যাওঁ এবাৰ অনুসন্ধান সমিতিলৈ, খবৰ লৈ আহো ল'ৰাই কিমান আগবাঢ়িছে।"

বুঢ়া গ'ল। শিক্ষা সমাপন হোৱা বুলি বুঢ়াৰ লগতেই কৰ্তৃপক্ষই ল'ৰাকো পঠিয়াই দিলে। ল'ৰাৰ শেতা বেজীৰ দৰে দীঘলীয়া মুখ দেখি বুঢ়াৰ আনন্দ। ল'ৰাই তৰ্কবিদ্যা ভালকৈ আওৰাইছে। ধৰুৱাৰ হেঁচাৰ কথা কোৱাত ল'ৰাই অভয় দি ক'লে—"একো ভয় নাই। সিহঁতে যিদিনাখন সুত নিবলৈ আহে, পুৰাতন স্মৃতি মতে তাৰ নাম "নতুন পুৰণি" দিম। তাতেই তৰ্ক লাগিব।" বুঢ়ায়ো আশ্বাস পাই ঘৰ পালেগৈ।

এজন ধৰুৱা আহি পাঁচ শ ৰূপৰ দাবী কৰিলে। বুঢ়াই নিৰ্বিকাৰ-চিত্তে উত্তৰ দিলে, সকলোৱে জানে তেওঁ ঘোঁৰা খেলৰ বিৰোধী, কাজেই ঘোঁৰা কিনিবলৈ টকা অনা অসম্ভৱ। ধৰুৱাই দেৱতাৰ শপথ লৈ ক'লে সিদিনাখন দিব বুলি টকা অনা সঁচা। দেৱতাৰ নামত বুঢ়াই ইতিকিং কৰিবলৈ ধৰিলে, শেষত গৈ বুঢ়া ভিতৰ সোমাল আৰু ল'ৰাক সুধি আহি ধৰুৱাক কিছুমান শব্দৰ লিঙ্গ নিৰ্ণয় কৰিব দিলে। ধৰুৱা নিমাত! বুঢ়াই গৰ্জি উঠিল—যি মানুহে ব্যাকৰণৰ লিঙ্গ ঠিক কৰিব নোৱাৰে সি আৰু ধাৰলৈ দিয়া টকা সাধিবলৈ আহে! আন এজন ধৰুৱা আহিলত বুঢ়াই 'সুধিলে—“বৰষুণৰ পানী সদায় নতুন নে সূৰ্যই বাৰে বাৰে একে পানীকে তুলি নিয়ে?” ধৰুৱাই ক'ব নোৱাৰে আৰু শুনিব নোখোজে। বুঢ়াই ক'লে—“তেনেহ'লে এই টকা পাবৰ উপযুক্ত নহয়।” ধৰুৱাই ক'লে—“আচল দিব নোৱাৰিলে সুতখিনিকেই দিয়াহঁক।” বুঢ়াই মাত লগালে, “সুত! সি আকৌ কেনেকুৱা জন্তু? ভাল, ক'চোন সাগৰ সদায় সমানে থাকে নে কেতিয়াবা ডাঙৰ হয়?” ধৰুৱাই উত্তৰ দিলে, “বোধকৰো সদায় সমানে সমানে থাকে।” “ইমানবোৰ নদী গৈ পৰিলতো সাগৰ যদি ডাঙৰ নহ'ল, তোৰ টকানো ইমান বেছি হয় কেনেকৈ?” এই বুলি বুঢ়াই ধৰুৱাক উলিয়াই দিলে।

এদিনাখন বাপেক-পুতেকৰ তৰ্ক হ'ল। বাপেকে কয়, আগৰদিনীয়া কবিসকলৰ কবিতা ভাল। পুতেকে কয়, নতুন কবিসকলৰ কবিতাহে ভাল। তৰ্কত তপত হৈ পুতেকে বাপেকক খুন্দা এটি মাৰিলে।

বাপেক—নিলাজ, সৰুতে তোক কিমান আদৰ-যত্ন কৰিছিলো; তাৰ ফল এইটোহেনে?”

পুতেক—সৰুতে মোক কেতিয়াও মৰা নাছিলনে?

বাপেক—মাৰিছিলো, তোৰ ভালৰ বাবে।

পুতেক—তেনেহ'লে আপোনাৰ ভালৰ বাবে মই মাৰিব নোৱাৰিম কিয়? নিজৰ কথাতেই প্ৰমাণ, মৰাটো হেনো ভাল বাবেহে! ল'ৰাক মৰা ভাল যদি বুঢ়াক মৰা আৰু ভাল, কিয়নো বুঢ়া ল'ৰাতকৈ দুগুণ অবুজ।

বাঃ—কিন্তু ল'ৰাক মৰাটো শাস্ত্ৰ-সঙ্গত।

পুঃ—শাস্ত্ৰও মানুহেহে কৰিছে। ময়ে এখন নতুন শাস্ত্ৰ কৰিলো বা ? গাহৰি, কুকুৰা আদিয়ে বাপেকক মাৰে। সিহঁতৰ আৰু আমাৰ ভেদ কি ? সিহঁতে জানিবা কাউন্সিলত প্ৰস্তাৱ দাঙি নধৰে, আমি ধৰো, এইহে ।

বুঢ়া—তই যদি কুকুৰাৰ দৰে হৱ গেৰেকনি নোখোচৰ কিয় ?

ল'ৰা—সেই যুক্তি ইয়াত নাখাটে। চক্ৰেটিছে সেইটো নকয়।

বাঃ—এদিনাখন তোৰ ল'ৰায়ো তোক মাৰিব।

পুঃ—মোৰ ল'ৰা নহয় যদি ?

বাঃ—নহ'বও পাৰে। হাৰিলো !

বুঢ়াই ভাবিলে, "অ' এইখনহে হ'ল। চক্ৰেটিছে আমাক বঞ্চনাহে কৰিলে।" এইদৰে ভাবি বুঢ়াই বন্ধা চাকৰ সকলোকে মাতি লৈ অনুসন্ধান সমিতি আক্ৰমণ কৰিবলৈ ওলাল। বন্ধাহঁতে জখলা লগাই ছালত উঠি কুঠাৰেৰে ছাল ঘৈয়াব ধৰিলে। বুঢ়াই ঘৰৰ ভিতৰত জুই লগাই দিলে। চেলা এজনে কুঠাৰৰ ঘা শুনি মাত লগালে, "কোনে কি কৰে অ' ?" "আমি মাৰলিৰে সৈতে যুক্তি কটাকটি কৰিছো।" "সেইটো আৰু কোন ?" আন এজনে মাতিলে, "যাৰ জোতা, চোলা চুৰি কৰিছিলি।" "তোক কি লাগে ?"—চক্ৰেটিছে সুধিলে। "মই বায়ু-মণ্ডলত বিচৰণ কৰো, সূৰ্যমণ্ডলত বিহাৰ কৰো।" বুঢ়াই ইতিকিং কৰিলে। চক্ৰেটিছে চিঞৰিব ধৰিলে, "ধোঁৱাত উশাহ নাপাওঁ, মৰিলো ঐ।" কেৰেফনে চিঞৰিলে, "জীয়তে মৰিলো ঐ।" এনেতে ডাৱৰ দেৱতা আবিৰ্ভাৱ হৈ বুঢ়াক উছটাই ক'লে, "নেৰিবি ভালকৈ এসেক দে, তোৰ ইহঁতক মাৰিবৰ যথেষ্ট কাৰণ আছে, কিন্তু সকলোতকৈ ডাঙৰ কাৰণ হৈছে—ইহঁত দেৱ-দেৱী নমনা পাষণ্ড।"

কোৱা আছে ৰঙ্গমঞ্চত যেতিয়া "ডাৱৰ" নাট অভিনীত হয়, জ্ঞানী চক্ৰেটিছে হেনো ৰংঘৰৰ এচুকত বহি নিৰ্বিকাৰ চিত্তে অভিনয় দেখিছিল।

# নৰকাসুৰ

অপবিত্ৰ অৱস্থাত বৰাহৰূপী বিষ্ণুৰ ঔৰসত পৃথিৱী দেৱীৰ গৰ্ভ সঞ্চাৰ হয়। ব্ৰহ্মা আদি দেৱতাসকলে চিন্তা কৰি দেখিলে যে অশুচি অৱস্থাত গৰ্ভ সঞ্চাৰ হোৱাৰ কাৰণে পৃথিৱীৰ গৰ্ভত থকা সন্তান দেৱপুত্ৰ হ'লেও অসুৰ ভাবাপন্ন হ'ব। সি অতি পৰাক্ৰমী হ'ব। সেই ভয়তে দেৱতাসকলে দৈৱশক্তিৰ দ্বাৰা গৰ্ভ কঠিন কৰি প্ৰসৱ হ'ব নোৱৰা কৰি থ'লে। প্ৰসৱৰ সময় হ'লতো পৃথিৱীৰ গৰ্ভস্থ সন্তান ভূমিষ্ঠ নহয়। পৃথিৱী দেৱীৰ যন্ত্ৰণা উপস্থিত হ'ল। তেওঁ নিৰুপায় হৈ বৰাহবিষ্ণুক স্তৱ কৰিলত বিষ্ণুৱে বৰ দিলে যে পৃথিৱী কোনো প্ৰকাৰে গৰ্ভবেদনা অনুভৱ নকৰাকৈ থাকিব পাৰিব আৰু তেওঁৰ গৰ্ভস্থ সন্তান ত্ৰেতাযুগৰ মধ্যভাগত ৰামৰ দ্বাৰা ৰাৱণ বধৰ পিছতহে ভূমিষ্ঠ হ'ব। তেওঁ এইটোও ক'লে যে পুত্ৰ ওপজাৰ পিছত তেওঁক স্মৰণ কৰিলেই তেওঁ পুত্ৰ পালনৰ ব্যৱস্থা কৰিব।

এইদৰে বহুত দিন গ'ল। বিদেহ ৰাজ্যত জনক নামে এজন সৰ্বগুণসম্পন্ন ৰজা আছিল। তেওঁ অপুত্ৰক। অযোধ্যাৰ ৰজা দশৰথে যজ্ঞ কৰি পুত্ৰ লাভ কৰাৰ আহিঁৰে জনক ৰজায়ো পুত্ৰেষ্টি যাগ কৰিলে। যজ্ঞ-ভূমিতেই জনক ৰজাই দুটি ল'ৰা আৰু এজনী ছোৱালী পালে। যজ্ঞ ভূমিত হাল বাওঁতে পৃথিৱীৰ বুকুৰপৰা ছোৱালীজনী ওলাইছিল। এই ছোৱালীজনীয়েই সীতা।

তেতিয়া পৃথিৱী দেৱীয়ে জনক ৰজাক উদ্দেশ্য কৰি ক'লে— "এই ছোৱালীজনীৰ বাবে ৰাৱণ, কুম্ভকৰ্ণ আদি বীৰসকল মৰিব। তেতিয়া মোৰ গৰ্ভভাৰ নোহোৱা হ'ব আৰু আপোনাৰ যজ্ঞভূমিতেই মোৰ পুত্ৰ সন্তান এটি প্ৰসৱ হ'ব। বাল্যকালত সেই ল'ৰাক আপুনি পালন কৰিব লাগিব। তাৰ ষোল্ল বছৰ পাৰ হ'লে মই নিজেই তাৰ প্ৰতিপালনৰ ভাৰ ল'ম।"

ৰাৱণ-বধৰ পিছত জনকৰ যজ্ঞ-ভূমিত গৈ পৃথিৱী দেৱীয়ে পুত্ৰ সন্তান প্ৰসৱ কৰিলে। পূৰ্বৰ বন্দোবস্ত অনুসাৰে পৃথিৱী দেৱীয়ে জনক ৰজাক সম্বাদ দিলে। আনফালে আগৰ কথামতে বৰাহবিষ্ণুক স্মৰণ কৰিলে। বিষ্ণুৱে বৰ দিলে—"ইয়াৰ যোল্ল বছৰ হ'লে, ই ৰাজ্য-ভাৰ পাব।"

যজ্ঞ-ভূমিলৈ গৈ জনক ৰজাই দেখিলে নৱজাত শিশুৱে মৰা মানুহৰ ( নৰ )ৰ লাওখোলা ( ক ) এটিত মূৰটো থৈ কান্দি আছে। সেই কাৰণে গণনাৰ সময়ত গৌতম ঋষিয়ে নাম থ'লে নৰক ( নৰ—ক )।

জনকে ল'ৰাটো লৈ গৈ প্ৰধান মহিষী সুমতি দেৱীক সোধাই দি ক'লে—"এই ল'ৰাটো যজ্ঞ-ভূমিত পাইছো। ইয়াক নিজৰ ল'ৰাৰ দৰে পালন কৰিবা।" ইফালে স্বয়ং পৃথিৱী দেৱীও মানুষী মূৰ্তি ধাৰণ কৰি জনক ৰজাৰ অন্তঃপুৰত সোমাল আৰু কাত্যায়নী নাম লৈ ধাত্ৰীৰূপে নৰকৰ আলপৈচান কৰিলে। পৃথিৱী দেৱীৰ সৰ্বদায় চকু যেন নৰকে আসুৰিক ভাব এৰি মানুহৰ ভাব গ্ৰহণ কৰে। এইদৰে যোল্ল বছৰ পাৰ হ'বলগীয়া হ'ল।

নৰক সকলো বিদ্যাতে পাৰ্গত হৈ উঠিল। পৰাক্ৰম, বীৰত্ব আদি গুণত জনকৰ ল'ৰাহঁততকৈ বহুত শ্ৰেষ্ঠ। নৰক ডাঙৰ হ'লত জনকৰ মনত আশঙ্কা হ'ব ধৰিলে যে সি ভৱিষ্যতে তেওঁৰ নিজৰ ল'ৰাহঁতৰপৰা ৰাজ্য কাঢ়ি ল'ব। নৰকক দেখিলে জনকৰ মুখ মলিন হ'ব ধৰিলে। এদিন মহিষী সুমতিয়ে গোপনে জনকক সুধিলে—"ল'ৰাবোৰে ৰং-ধেমালি কৰোতে নৰকক দেখিলে আপোনাৰ মন মলিন হয় কিয়? সি ৰূপবান, বীৰ্যবান, নয়-বিনয় আদিত শিক্ষিত, নানা গুণত বিভূষিত তাক দেখিলেই আপুনি বিমুখ হয় কিয়?" ৰজাই এই প্ৰশ্নৰ কোনো মুকলি উত্তৰ নিদিলে। কেৱল ক'লে, "ৰাণী তুমি আৰু তিনি মাহকাল অপেক্ষা কৰা, তেতিয়া তোমাক সকলো কথা ভাঙি ক'ম।"

ৰজা আৰু মহিষী সুমতিৰ এই গোপন আলোচনা ধাত্ৰীৰূপী

পৃথিৱীয়ে শুনি আছিল। তেওঁ ভাবিলে, আৰু তিনিমাহ পাৰ হ'লে নৰকৰ যোল্ল বছৰ পূৰ হ'ব তেতিয়া ৰজাই মোৰ সকলো গুপ্ত ৰহস্য খুলি ক'ব। এইদৰে নিজৰ পুত্ৰৰ প্ৰতি সকলো কৰ্তব্য ঠিক কৰি তিনি মাহৰ অন্তত ৰজা আৰু পুৰোহিতে গৌতমক ক'লে, "আপুনি অঙ্গীকাৰ অনুসাৰে সকলো কৰ্তব্য পালন কৰিছে। নৰকক শিক্ষা-দীক্ষা দি আজি যোল্ল বছৰে পোহপাল দি ডাঙৰ-দীঘল কৰিছে। এতিয়া তাক লৈ যাবলৈ মোক অনুমতি দিয়ক।"

পৃথিৱীয়ে গোপনে নৰকক লগ ধৰি ক'লে—"মোক গঙ্গাযাত্ৰা কৰাবলৈ ৰথেৰে লৈ ব'লা।" নৰকে উত্তৰ দিলে—"পিতা জনকৰ আদেশ নহ'লে তোমাৰ লগত যাব নোৱাৰো।" পৃথিৱীয়ে উত্তৰ দিলে "জনক তোমাৰ পিতা নহয়। মোৰ লগত গঙ্গালৈ গ'লে তোমাৰ পিতাৰাক দেখিবা। জনক তোমাৰ পালক, তেওঁ তোমাক ৰাজ্য নিদিয়ে। তোমাৰ জন্মৰ সকলো ৰহস্য কথা গঙ্গাৰ পাৰত ভাঙি ক'ম।"

ধাত্ৰীৰ কথাত সঞ্জাত কৰি নৰকে তেওঁৰ লগত গঙ্গালৈ গ'ল। তাত পৃথিৱী দেৱীয়ে সকলো কথা খুলি ক'লে। পৃথিৱীয়ে স্মৰণ কৰা মাত্ৰকতে গৰুড়ধ্বজ বিষ্ণু আহি উপস্থিত হ'ল আৰু পৃথিৱী আৰু নৰকক লগত লৈ গঙ্গাত ডুব দিলে আৰু খন্তেকতে প্ৰাগ্‌জ্যোতিষপুৰ পালেহি। প্ৰাগজ্যোতিষ কামৰূপৰ মাজডোখৰত, য'ত কামাখ্যা দেৱী নায়িকা। সেই দেশ শিৱে আগৰপৰাই স্বৰাজ (নিজৰ লীলা-ভূমি) হিছাপে ৰাখিছে।

কামৰূপত তেতিয়া কিৰাত জাতিৰ মানুহ আছিল। সিহঁতৰ গাৰ ৰং হালধীয়া, মূৰ খুৰোৱা।

সিহঁত মদ-মাংসত আসক্ত। সিহঁতৰ অধিপতি ঘটক। নৰক আৰু কিৰাতসকলৰ ঘোৰ যুদ্ধ লাগিল। কিৰাতাধিপতি ঘটক যুদ্ধত পৰিল আৰু তেওঁৰ বগা হাতীটো নৰকে নিজৰ বাহন কৰিলে। কিৰাতসকলক দিক্‌ৰ বাসিনীলৈ খেদি পঠিয়ালে। খেদা খাই কেতবোৰে সাগৰৰ পাৰত আশ্ৰয় ল'লে।

তেতিয়া ভগৱান বিষ্ণুৱে নৰকৰ ৰাজ্যৰ সীমা নিৰ্দ্ধাৰণ কৰি দিলে, "কৰতোয়া সদা-গঙ্গাৰ পূৰ্বভাগৰ পৰা ললিত-কান্তা পৰ্যন্ত তোমাৰ ৰাজ্য। ইয়াত মহামায়াই কামাখ্যাৰূপে যোগ নিদ্ৰাত আছে।"

শিৱৰ অনুমতি অনুসাৰে বিষ্ণুৱে পূবে ললিত-কান্তাক সীমা কৰি পূৰ্ব সাগৰৰ পাৰে পাৰে কিৰাতসকলক বহুৱালে। পিছত ললিত-কান্তাক সীমা কৰি কৰতোয়া নদীলৈকে এই ডোখৰ ঠাইৰ পৰা কিৰাতসকলক আঁতৰাই দ্বিজাতিসকলক স্থাপনা কৰিলে। তাৰ অলপ পিছতেই দেশৰ নাম হ'ল কামৰূপ।

তাৰ পিছত বিষ্ণুৱে বিদৰ্ভ ৰাজকন্যা মায়াক নৰকলৈ বিয়া কৰালে। আৰু নানান ধনৰত্ন সংগ্ৰহ কৰি দেশত গড় আদি বন্ধাই পুত্ৰ নৰকক সতৰ্কবাণী কৈ বিষ্ণুৱে বিদায় ল'লে। নৰকে যেন দেৱ, মুনি, বামুণ আদিৰ লগত বিৰোধ নকৰে। বিশেষতঃ মহাদেৱী কামাখ্যাত বাজে আন দেৱতাক যেন নৰকে নভজে; ইয়াৰ অন্যথা হ'লে নৰকৰ প্ৰাণ যাব।

নৰকৰ ৰাজ্যত বিশেষ শ্ৰীবৃদ্ধি হ'ল। বিদেহৰ ৰজা জনকেও নৰকৰ উন্নতিৰ কথা শুনি পুত্ৰ, ভাৰ্যা, অনুচৰসকলক লগত লৈ কামৰূপৰ অন্তৰ্গত প্ৰাগজ্যোতিষপুৰলৈ আহিল। নৰকৰ পুৰী তেওঁৰ মনত অমৰাৱতী যেন লাগিল। ৰাণী সুমতিক নৰকৰ পৰিচয় দি ক'লে, "এই তোমাৰ পালিত পুত্ৰ নৰক; বৰাহৰূপী বিষ্ণুৰ পৰা পৃথিৱীৰ গৰ্ভত জন্ম লৈছে।" কিছুদিন থাকি জনক অনুচৰসকলেৰে বিদেহলৈ উভতি গ'ল। নৰকেও আসুৰিক স্বভাৱ নোহোৱাকৈ ৰাজ্য পালন কৰিব ধৰিলে।

সেই সময়ত শোণিতপুৰ নগৰত বলিপুত্ৰ বাণ নামে এজন অসুৰ ৰজা আছিল। তেওঁ শিৱভক্ত। মহাদেৱক পূজাত সন্তুষ্ট কৰি আসুৰিক মতেৰে নিৰ্ভয়ে চলন-ফুৰণ কৰে। নৰকৰ লগত ওচৰ-চুবুৰীয়া বাণৰ মহা মিত্ৰতা ঘটিল। দুয়োৰো জুই-বতাহৰ নিচিনা সম্বন্ধ। বাণৰ সংসৰ্গত নৰকেও আসুৰিক স্বভাৱ অৱলম্বন কৰিলে। আগৰ দৰে বামুণক মান নকৰে; দান, যজ্ঞত প্ৰীতি নাই, বিষ্ণু বা পৃথিৱীক পূজা নকৰে। কামাখ্যাৰ প্ৰতিও ভক্তি বিমুখ হ'ল।

এনে সময়তে এদিনাখন ব্ৰহ্মাৰ পুত্ৰ বশিষ্ঠ মুনিয়ে কামাখ্যা দৰ্শন কৰিবলৈ প্ৰাগ্‌জ্যোতিষপুৰলৈ আহে।

নৰকে মুনিক কামাখ্যাৰ দুৰ্গৰ ভিতৰলৈ সোমাব নিদিলে। বশিষ্ঠই প্ৰতিবাদ কৰি ক'লে—তুমি পৃথিৱী আৰু বৰাহবিষ্ণুৰ পুত্ৰ, এইটো তোমাৰ কুলোচিত কাম নে যে মই ব্ৰাহ্মণক তুমি কামাখ্যা দেৱীক পূজা কৰিব নিদিয়া ?" নৰকে তেতিয়া কৰ্কশ কথাৰে মুনিক খেদি বাহিৰ উলিয়াই দিলে। মুনিয়ে কুপিত হৈ শাও দিলে, "তই যাৰ ল'ৰা সেয়ে মানুহৰূপ ধাৰণ কৰি অবিলম্বে তোক বধ কৰিব। তই যিমান দিন বাচি থাকিবি, কামাখ্যা দেৱীয়ে তিমান দিন অন্তৰ্দ্ধান হৈ থাকিব। তই মৰাৰ পিছতহে কামাখ্যা দেৱীক পূজা কৰিম।"

মুনিৰ শাও অনুসাৰে কামাখ্যা অন্তৰ্হিত হ'ল। নীলকূট পৰ্বত শূন্য। নৰকৰ মনত আতঙ্ক হ'ল। মাক পৃথিৱী আৰু পিতাক বিষ্ণুক স্মৰণ কৰিলে। তেওঁলোকৰ শাসন ভঙ্গ কৰি অনীতি আচৰণ কৰিছে বুলি মাক-বাপেকে দেখা নিদিলে। ইফালে ৰাজ্যও শ্ৰীহীন হৈ যাব ধৰিলে। নিৰুপায় হৈ নৰকে মিত্ৰ বাণৰ কথা ভাবিলে আৰু তেওঁৰ ওচৰলৈ দূত পঠিয়ালে। মিত্ৰৰ ঘোৰ বিপদৰ সূচনা বুজি বাণে স্বয়ং নৰকৰ ৰাজ্যলৈ গ'ল।

বাণে প্ৰতিকাৰ কৰিবৰ যুক্তি দেখুৱাই ক'লে যে ইন্দ্ৰ দেৱতা অতি হিংসাকুৰীয়া। তেওঁ মানুহেই হওক বা দৈত্য, দানৱ, ৰাক্ষস, কিন্নৰেই হওক কাৰো শ্ৰীসহ্য কৰিব নোৱাৰে। দেৱতাসকলৰ লগত লৈ কূটনীতিৰে সিহঁতৰ শ্ৰীহানি কৰিবই। সেই ইন্দ্ৰৰ ইষ্টতম দেৱতা হৈছে বিষ্ণু। বিষ্ণুৱে ইন্দ্ৰৰ অনিষ্ট হ'ব নিদিয়ে। যি কোনোৱে ইন্দ্ৰৰ অনিষ্ট কামনা কৰি বিষ্ণুক আৰাধনা কৰে, বিষ্ণুৱে ছিদ্ৰ থকা বৰ দি সেই উপাসকক প্ৰৱঞ্চনা কৰে। বহুত কায়ক্লেশ কৰিলেহে বিষ্ণু প্ৰসন্ন হয় আৰু বহুত পলমেহে ইষ্ট কামনা পূৰণ কৰে। ইষ্ট দেৱতাক পূজা নকৰিলে কোনোৱে অতুল বিভূতি নেপায়। তুমি আগতেই ব্ৰহ্মা বা বিষ্ণুক আৰাধনা কৰা নাই, সেই কাৰণে তোমাৰ

ৰাজ্যত অমঙ্গলে দেখা দিছে। যদিওবা বিষ্ণু তোমাৰ পালক, তেওঁৰ স্বভাৱত কাৰো প্ৰতি দয়া-মায়া নাই। কিন্তু, পৃথিৱীৰ বচন অনুসাৰে প্ৰতিক্ষণেই তুমি বিষ্ণুক আৰাধনা কৰিছা, ফলত তেওঁ ছিদ্ৰ থকা বৰ দিলে দ্বিজাতিৰ অপৰাধ নকৰিবা। ইয়াৰ অন্যথা হ'লে শ্ৰীহানি হয়। তুমি বশিষ্ঠৰ ওপৰত কোনো দায়-দোষ নিদিবা। সেই কাৰণে স্মৰণ কৰিলেও পৃথিৱী আৰু বিষ্ণু কোনোৱে দেখা নিদিলে।

ইয়াৰ পৰাই হৰিৰ সেৱকৰ প্ৰতি কৌটিল্য বুজি ল'বা। তুমি মনত উদাস ভাব ল'ব নেলাগে। তোমাৰ মনত প্ৰত্যয় আছে বিষ্ণু তোমাৰ পিতা, কিন্তু বৰাহহে তোমাৰ পিতা আৰু তেওঁৰো লোকান্তৰ ঘটিছে। তুমি যে শুনিছা বৰাহো বিষ্ণুৰ অংশ—"তেওঁৰ অংশ" এই বুলি কোনে কাক দয়া কৰে কোৱাচোন ? সেই কাৰণে তুমি শিৱ বা ব্ৰহ্মাৰ অৰ্চনা কৰা। তেওঁলোকৰ এজন প্ৰসন্ন হ'লে তোমাৰ সকলো বিঘ্ন আঁতৰিব।

বাণৰ কথাত নৰকৰ প্ৰত্যয় জন্মিল। আৰু তপস্যা কৰিবলৈ মান্তি হ'ল। নৰকে ক'লে, "বিষ্ণু আৰাধনীয় নহয় তাৰ কাৰণ তুমিয়েই কৈছা। শিৱো আৰাধনীয় নহয়, কিয়নো তেওঁ গুপ্তভাৱে মোৰ পুৰীতেই আছে। সেই কাৰণে ব্ৰহ্মাক আৰাধনা কৰিম।"

ব্ৰহ্মপুত্ৰৰ পাৰত কঠোৰ তপস্যা কৰি ব্ৰহ্মাৰ পৰা পাঁচোটা বৰ ল'লে—(১) দেৱ, অসুৰ, ৰাক্ষস আৰু দেৱযোনিত ওপজা প্ৰাণীৰ তেওঁ অবধ্য, (২) চন্দ্ৰ, সূৰ্য থাকে মানে বংশ ছেদ নহ'ব, (৩) তিলোত্তমা আদি দেৱাঙ্গনা (১৬ হেজাৰ) তেওঁৰ প্ৰণয়িনী হ'ব, (৪) তেওঁ অজেয় হ'ব, (৫) সৰ্বদাই শ্ৰীসম্পন্ন হ'ব। বৰ লওঁতে বশিষ্ঠৰ শাপ খণ্ডনৰ উপায় বিচাৰিবলৈ পাহৰিলে।

বৰ পালত নৰকৰ পূৰ্বৰ তেজ ফিৰি আহিল। বাণৰ কথামতে হয়গ্ৰীৱ, মুৰু, সুন্দ, নিসুন্দ আদি অসুৰ সৈনিকসকলক ডাঙৰ ডাঙৰ বাব দিলে। বাণৰ কথামতেই দেৱ আৰু মুনিসকলৰ ওপৰত পূৰ্ণমাত্ৰাই নিৰ্যাতন আৰম্ভ হ'ল।

এইদৰে পৃথিৱীত আসুৰিক ভাবৰ সোঁত বোৱালে। আগেয়ে তেওঁ ধৰ্মাত্মা আছিল, ব্ৰত কৰিছিল, দেৱ পূজা কৰিছিল—এতিয়া আসুৰিক ভাবেৰে সকলোকে উৎপীড়ন কৰিব ধৰিলে। নৰকৰ উৎপীড়নৰ মাত্ৰা দিনক দিনে বাঢ়ি উঠিল। তেতিয়া নিজৰ পিতাক বিষ্ণুৰ মানুষৰূপী অৱতাৰ শ্ৰীকৃষ্ণই তেওঁক বধ কৰিলে।

যুদ্ধৰ সময়ত নৰকে দেখিলে যে স্বয়ং কালিকা-কামাখ্যা দেৱীও কৃষ্ণৰ ওচৰত অস্ত্ৰ ধাৰণ কৰি নৰকৰ বিৰুদ্ধে থিয় হৈছে!